


গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰৱাহ

শুকুৰবাৰ ● ২১ নৱেম্বৰ ২০২৫/৪ আঘোণ ১৯৪৩ শক ● দাম ৫.০০ টকা ● চতুৰ্দশ বছৰ ● সংখ্যা - ৩১ ● Vol - 14, Issue - 31

## ওপজা দিনত শিল্পী জুবিন গাৰ্গলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে ৰক্তদান কৰিলে মুখ্যমন্ত্ৰী ড° শৰ্মাই

**দিছপুৰ, ১৮ নৱেম্বৰ ঃ** কিংবদন্তি শিল্পী জুবিন গাৰ্গৰ ৫৩ সংখ্যক ওপজা দিন উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ খানাপাৰাত আয়োজিত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত প্ৰিয় শিল্পীগৰাকীৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণেৰে গভীৰ শ্ৰদ্ধা নিবেদন কৰে। মুখ্যমন্ত্ৰীয়ে এই উপলক্ষে শিল্পীগৰাকীৰ অক্ষয় সৃষ্টিৰ প্ৰতি বিনম্ৰ শ্ৰদ্ধাৰ চিনস্বৰূপে ৰক্তদানো কৰে। উল্লেখযোগ্য যে জুবিন গাৰ্গৰ ৫৩ সংখ্যক ওপজা দিনৰ দিনা শিল্পীগৰাকীকৈ শ্ৰদ্ধা জনাই ৰাজ্যখনৰ ৫৩ টা স্থানত ৰক্তদান শিবিৰৰ আয়োজন কৰা হৈছিল। এই উপলক্ষে খানাপাৰাত অনুষ্ঠিত শিবিৰত অন্যান্যসকলৰ সৈতে মুখ্যমন্ত্ৰীয়েও ৰক্তদান কৰে। তাৰ পাছতে সংবাদ মাধ্যমক সম্বোধন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ মৰমৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিক আমাৰ মাজত জীয়াই ৰখাৰ আটাইতকৈ উত্তম ব্যৱস্থাটোৱেই হ'ল তেওঁৰ ওপজা দিনটোত দুখীয়া-দৰিদ্ৰজনৰ হকে কিবা এটা কৰা। মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে জুবিন গাৰ্গ দুখীয়া




আৰু নিঃস্বজনৰ গায়ক আছিল আৰু জীৱনকালত তেওঁ সম্বলহীন লোকৰ সাৰথি হৈ থিয় দিছিল। সেয়েহে তেওঁৰ ওপজা দিনত ৰক্তদানেৰে তেওঁৰ প্ৰতি শ্ৰদ্ধা নিৱেদনৰ প্ৰয়াস কৰা হৈছে। আজিৰ এই দিনটোৱে তেওঁৰ সংগীত, তেওঁৰ কণ্ঠস্বৰ আৰু অসমীয়াৰ হৃদয়ত তেওঁৰ অপ্ৰতিদ্বন্দ্বী স্থানৰ কথা সোঁৱৰাই দিয়ে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁৰ কালজয়ী সৃষ্টি, সংগীত আৰু সমাজসেৱাৰ মাজেৰে আমি জুবিনক চিৰদিন জীয়াই ৰাখিম। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে অৱগত কৰে যে যোৱা ১৯ ছেপ্টেম্বৰত ছিংগাপুৰত জুবিন গাৰ্গৰ মৃত্যুৰ পিছত ৰাজ্য চৰকাৰে এই কিংবদন্তি শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে এক বিশেষ তদন্তকাৰী গোট গঠন কৰিছিল। তেওঁ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত

*১০ পৃষ্ঠাত*


## বৃন্দাবনী বস্ত্ৰখন অসমলৈ অহাটো পূৰ্ব পুৰুষ নিজ গৃহলৈ অহাৰ দৰে অনুভৱ হ'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ ঃ** ব্ৰিটিছ সংগ্ৰহালয়ত বৰ্তমান সংৰক্ষিত কৰি ৰখা অসমৰ অমূল্য সম্পদ বৃন্দাবনী বস্ত্ৰখন ৰাজ্যখনলৈ সাময়িকভাৱে অনাৰ বাবে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত অসম চৰকাৰ আৰু ব্ৰিটিছ সংগ্ৰহালয় কৰ্তৃপক্ষৰ মাজত এক 'লেটাৰ অৱ ইনটেণ্ট' স্বাক্ষৰিত হয়। এই উপলক্ষে ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বৃন্দাবনী বস্ত্ৰখন অসমৰ আধ্যাত্মিক আৰু সাংস্কৃতিক ক্ষেত্ৰখনৰ এক আপুৰুগীয়া সম্পদ। এই চুক্তি স্বাক্ষৰ অসম তথা ভাৰতবাসীৰ বাবে এক গৌৰৱপূৰ্ণ মুহূৰ্ত। তেওঁ এই অমূল্য সম্পদবিধক অসমলৈ ওভতাই অনাৰ ক্ষেত্ৰত মুকলি মনেৰে সহায় আৰু সহযোগিতা আগবঢ়োৱাৰ বাবে ব্ৰিটিছ সংগ্ৰহালয়ৰ কৰ্তৃপক্ষক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ এই ক্ষেত্ৰত কূটনৈতিক প্ৰচেষ্টা গ্ৰহণ কৰা বাবে যুক্তৰাজ্যত নিযুক্ত ভাৰতীয় উচ্চায়ুক্তকো ধন্যবাদ জনায়। তেওঁ কয় যে ভৌগোলিকভাৱে অসম এখন ক্ষুদ্ৰ ৰাজ্য হ'লেও ইয়াৰ সভ্যতা আৰু সংস্কৃতি বিশাল। জনগোষ্ঠীভেদে বিভিন্ন ভাষা, ইতিহাস, পৰম্পৰা আৰু কলা-সংস্কৃতি আদিৰে সমন্বয়ৰ এক মিলন ভূমি অসম। পাৰস্পৰিক

*১০ পৃষ্ঠাত*

## এতিয়াও অসমীয়াৰ মাজত আছে কলাখাৰৰ চাহিদা

### পৰম্পৰাগতভাৱে প্ৰস্তুত কৰণত ব্যস্ত আছে গঞা



**জয়ন্ত মুদৈ, নগাঁও ঃ** অসমীয়া বৰ্ষৰ সপ্তমটি মাহ কাতিক কঙালী বুলি অতীজৰে পৰা সকলোৱে কৈ আহিছে। গতিকে কঙালখ্যাত কাতিত প্ৰায়েই ভাবি-চিন্তি বা গমি-পিতিহে সকলোয়ে কৰ্ম সম্পাদন কৰে। অৰ্থাৎ কাতিত সাধাৰণতে সকলো ব্যক্তিয়েই মিতব্যয়ী হ'বলৈ আপ্ৰাণ চেষ্টা কৰা দেখা যায়। কিন্তু কঙালৰ দৰে এক সুকীয়া পৰিচয় থকা কাতিয়ে হ'লে অসমীয়া সমাজক লক্ষণীয়ভাৱে প্ৰদান কৰি আহিছে আন এক পৰিচয়। সেয়া হ'ল কাতিৰ কলাখাৰ। হয়, খাৰ খোৱা অসমীয়াৰ খাৰ প্ৰস্তুত কৰাৰ উত্তম মাহ এই কঙালী কাতি। প্ৰকাশ যে, অশুভ বুলি বহুতেই ভাবি অহা কাতি মাহতে উৎপাদন কৰা হয় অসমীয়াৰ অন্যতম খাদ্য সম্ভাৰ কলাখাৰ। অৱশ্যে প্ৰকৃতাৰ্থত এই কলাখাৰ প্ৰস্তুতকৰণৰ বাবে দৰকাৰ হোৱা ৰ'দৰ উত্তাপ কেৱল সম্ভৱপৰ হয় কাতি মাহতহে। আচলতে, কলাখাৰৰ লুণীয়া গুণৰ কাৰণেই অসমীয়া সমাজত এই বিধ সামগ্ৰীৰ বিশেষভাৱে জনপ্ৰিয়তা আছে। সাধাৰণতে অসমীয়া সমাজৰ কলাখাৰৰ বাবে আন কলগছৰ তুলনাত আঠিয়াকলৰ খাৰহে অধিক উৎকৃষ্ট মানদণ্ডৰ। সেয়ে, অসমীয়া ৰাইজে নিজৰ ঠাইত বা ঘৰত নাথাকিলেও অন্য ঠাইৰ পৰা আঠিয়াকলৰ মধুনা বা বৌখা বিচাৰি

*১০ পৃষ্ঠাত*

## উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত শিল্পী জুবিন গাৰ্গৰ জন্মদিন উদ্‌যাপন







**ড° বনিমা তালুকদাৰ, উত্তৰ গুৱাহাটী মহাবিদ্যালয় ঃ** অসমীয়াৰ হিয়াৰ আমঠু তথা নৱ প্ৰজন্মৰ হাৰ্টথ্ৰব জুবিন গাৰ্গৰ ৫৩ তম জন্ম দিৱস উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত নৱ-নিৰ্বাচিত ছাত্ৰ একতা সভাৰ উদ্যোগত পালন কৰা হয়। আৰম্ভণিতে শিল্পীগৰাকীৰ স্মৃতিত বন্তি প্ৰজ্বলন কৰা হয় তথা শিল্পীজনাৰ ফটোত পুষ্পাঞ্জলি প্ৰদান কৰা হয়। ইয়াৰ পিছত উপাধ্যক্ষা ৰুণুমী দেৱীয়ে ভাষণ প্ৰদান কৰে। এই অনুষ্ঠানত প্ৰয়াত শিল্পীজনাৰ সৃষ্টিৰাজিক সোঁৱৰি ক্ৰমে শিক্ষক গোটৰ সভাপতি

*১০ পৃষ্ঠাত*

# অসমীয়া শিশু সাহিত্য বিষয়ক ফেল'শ্বিপৰ বাবে আবেদন আহ্বান

**গুৱাহাটী ঃ** শিক্ষাৰ উত্তৰণ আৰু সামাজিক পৰিৱৰ্তনৰ হকে গঠিত ন্যাস পৰেশ বৈশ্য ফাউণ্ডেচনে অসমীয়া সাহিত্য বিষয়ক গৱেষণাধৰ্মী পাণ্ডুলিপি লিখাৰ বাবে ফেল'শ্বিপ প্ৰদানৰ ব্যৱস্থা কৰিছে। প্ৰতিবছৰে একো একোটা নিৰ্দিষ্ট বিষয়ত গৱেষণা কৰাৰ বাবে এই ফেল'শ্বিপ প্ৰদান কৰা হ'ব। ২০২৫ বৰ্ষৰ পাণ্ডুলিপিৰ বিষয় হ'ল 'অসমীয়া শিশু সাহিত্য ঃ ২০০১-২০২৫'। পাণ্ডুলিপি অসমীয়া ভাষাত লিখা হ'ব লাগিব। ২০২৫ চনৰ ৩১ ডিচেম্বৰত ৩০ বছৰৰ অনুৰ্ধৰ ব্যক্তিয়ে এই ফেল'শ্বিপৰ বাবে আবেদন কৰিব পাৰিব। এই ফেল'শ্বিপৰ বাবে আবেদন কৰাসকলে আবেদনৰ লগত প্ৰথমতে বিষয়বস্তুৰ ওপৰত এটি সংক্ষিপ্তসাৰ প্ৰস্তুত কৰি উল্লিখিত এই সময়ছোৱাৰ কোনো কোনো শিশু-সাহিত্যিকৰ গ্ৰন্থ সামৰি ল'ব তাৰ তালিকা প্ৰেৰণ কৰিব লাগিব। ২০০১ চনৰ পৰা ২০২৫ চনৰ ভিতৰত প্ৰকাশিত অসমীয়া শিশু সাহিত্যৰ অধিক লেখকৰ ৰচনাৰাজিক সামৰি ল'ব পৰা আবেদনকাৰীক এই ফেল'শ্বিপৰ বাবে নিৰ্বাচিত কৰা হ'ব। আবেদন পত্ৰৰ লগত আবেদনকাৰীয়ে নিজৰ সম্পূৰ্ণ ঠিকনা, ই-মেইল, ম'বাইল নম্বৰ, বৃত্তি, বয়সৰ প্ৰমাণ-পত্ৰ, একপি পাছপ'ৰ্ট আকাৰৰ ফটো আৰু এগৰাকী সাহিত্যিক বা অসমীয়া বিষয়ত অধ্যাপনা কৰা ব্যক্তিৰ ৰেফাৰেন্স লেটাৰ গাঁঠি দিব লাগিব। গৱেষণাধৰ্মী কামৰ প্ৰতি উৎসাহিত কৰাৰ বাবে বিশ্ববিদ্যালয় বা মহাবিদ্যালয়ত অসমীয়া বিষয়ত স্নাতকোত্তৰ শ্ৰেণীত পঢ়ি থকা বা অসমীয়া ভাষাৰ গৱেষক ছাত্ৰ-ছাত্ৰীক অগ্ৰাধিকাৰ দিয়া হ'ব। আবেদনকাৰীসকলৰ মাজৰ পৰা ন্যাসৰ বাছনি সমিতিয়ে ফেল'শ্বিপৰ বাবে নিৰ্বাচিত কৰিব। ফেল'শ্বিপৰ বাবে নিৰ্বাচিতজনক পাণ্ডুলিপিৰ মান অধিক উন্নত আৰু সমৃদ্ধ কৰাৰ বাবে পৰেশ বৈশ্য ফাউণ্ডেচনৰ পৰামৰ্শদাতা সমিতিয়ে প্ৰয়োজনীয় ইনপুট দিব। ফেল'শ্বিপৰ বাবে নিৰ্বাচিতজনক দুটা কিস্তিত মুঠ বিশ হাজাৰ টকা দিয়া হ'ব। নিৰ্বাচিতজনৰ সৈতে ন্যাসে এই সংক্ৰান্তত এখনি চুক্তি কৰিব। চুক্তিবদ্ধ হোৱাৰ ১০ মাহৰ ভিতৰত চূড়ান্ত পাণ্ডুলিপি জমা দিব লাগিব। চূড়ান্ত পাণ্ডুলিপিখন প্ৰয়োজনীয় সংশোধনী সাপেক্ষে ন্যাসে ছপা আকাৰত প্ৰকাশ কৰিব। ইচ্ছুক সকলক উক্ত ফেল'শ্বিপৰ বাবে আবেদনসমূহ ২০২৬ বৰ্ষৰ ৩১ জানুৱাৰীৰ ভিতৰত প্ৰেৰণ কৰিবলৈ জনোৱা হৈছে। আবেদন পঠিওৱাৰ ঠিকনা ঃ পৰেশ বৈশ্য, পৰিচালন ন্যাসৰক্ষী, পৰেশ বৈশ্য ফাউণ্ডেচন, গৃহ নম্বৰ-৫, হাউছফেড হাউছিং কমপ্লেক্স, পশ্চিম বৰাগাঁও, ডাকঃ গড়চুক, গুৱাহাটী-৩৫, কামৰূপ মহানগৰ। ম'বাইল নম্বৰ ঃ ৯৮৫৯২-৬৩৯৭৩

# ডিব্ৰুগড়ৰ লাহোৱালত বিশ্ব প্ৰেছ দিৱস উদ্‌যাপন



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** 'সাংবাদিকৰ দ্বায়িত্ব আমি কেনেকৈ পালন কৰিম সেইয়া অতি গুৰুত্বপূৰ্ণ কথা- সাংবাদিক সকলে নিজকে পৰীক্ষা কৰিব লাগিব- বৰ্তমান সময়ত গুগল মেপে যেনেকৈ সঠিক দিক্ নিৰ্ণায়কৰ ভূমিকা লয়, ঠিক তেনেকৈ আজিৰ সাংবাদিক সকলেও সত্য, সঠিক তথ্যৰে শুদ্ধ দিশলৈ সমাজখন লৈ যাব লাগিব আৰু ত্যাগ কৰিব পাৰিব লাগিব সঠিক তথ্য দিবলৈ-সমাজখন পোহৰ কৰাৰ মাধ্যম সাংবাদিকৰ ওপৰত, সাংবাদিক সমাজৰ আইনাস্বৰূপ'- এই বক্তব্য ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়াৰ। ডিব্ৰুগড়ৰ লাহোৱাল প্ৰেছ ক্লাবৰ উদ্যোগত, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাব আৰু ডিব্ৰুগড় জিলা সাংবাদিক সন্থাৰ উদ্যোগত দেওবাৰে বিশ্ব প্ৰেছ দিৱস উপলক্ষে লাহোৱাল অঞ্চলৰ তেলীয়াপট্টিৰ চেঁচা নৈৰ মনোমোহা পৰিৱেশৰ মাজত আড়ম্বৰপূৰ্ণ অনুষ্ঠানটি মুকলি সভাত নিৰ্দ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰি সাংবাদিক সকলৰ কৰ্তব্য আৰু ত্যাগৰ কথা উল্লেখ কৰে ড° শইকীয়াই। দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা প্ৰেছ দিৱসৰ কাৰ্যসূচী অনুসৰি পুৱা ৭-০০ বজাত পৰিৱেশ নিকাকৰণ, ৯-০০ বজাত বৃক্ষৰোপণ, ১০-০০ বজাত আৰ্থিকভাৱে দুৰ্বলজনৰ মাজত খাদ্য সামগ্ৰী বিতৰণ, ১১-০০ বজাত অনুষ্ঠিত হয় আলোচনাচক্ৰ। আলোচনা চক্ৰৰ বিষয়। 'সাংবাদিকতাৰ নীতি, প্ৰত্যাহ্বান, জনপ্ৰতিনিধিৰ তৰল মন্তব্য আৰু ভৱিষ্যৎ সম্পৰ্কে এক মুক্ত আলোচনা'। বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁইয়ে আঁতধৰা অনুষ্ঠানত উদ্দেশ্য ব্যাখ্যা কৰে লাহোৱাল প্ৰেছ ক্লাবৰ সম্পাদক দিবাকৰ দত্তই। সভাৰ আৰম্ভণিতে অসমৰ হিয়াৰ আমঠু, সাংস্কৃতি জগতৰ নক্ষত্ৰ, জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জনায় ডিব্ৰুগড় জিলা সাংবাদিক সন্থাৰ সভাপতি তথা জ্যেষ্ঠ সাংবাদিক বিপিন শৰ্মাৰ লগতে মাল্যাৰ্পন কৰে বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাৱৰ সভাপতি, অসম আদিত্য কাকতৰ সম্পাদক মনজিৎ বৰা, লাহোৱাল প্ৰেছ ক্লাৱৰ সভাপতি হোমেন ফুকনে। মুকলি সভা শুভ উদ্বোধন কৰে বৰবৰুৱা প্ৰেছ ক্লাৱৰ সভাপতি জ্যেষ্ঠ সাংবাদিক মনোৰঞ্জন হাজৰিকাই। লাহোৱাল প্ৰেছ ক্লাবৰ সভাপতি হোমেন ফুকনে আদৰণী ভাষণ আগবঢ়োৱা পাছতেই সভাত উপস্থিত থকা জ্যেষ্ঠ সাংবাদিক তথা ডিব্ৰুগড় জিলা সাংবাদিক সন্থাৰ সভাপতি বিপিন শৰ্মা, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছৰ ক্লাবৰ সভাপতি মনজিৎ বৰা, বিভাস দুৱৰা, মটক যুৱ ছাত্ৰ সন্থাৰ উপ-সভাপতি অজয় গগৈ, সমাজ কৰ্মী তথা এছ কে এছ ইংলিচ একাডেমীৰ স্বত্বাধিকাৰী দয়ানন্দ শ্বাহ, লাহোৱাল প্ৰেছ ক্লাবৰ প্ৰাক্তন সভাপতি কনৌজ শইকীয়া, ৰশ্মিৰেখা সাউদ কলিতা আদিয়ে নিৰ্ধাৰিত বিষয়ত বক্তব্য ৰাখে। অনুষ্ঠানত ভাষণ প্ৰসংগত জ্যেষ্ঠ সাংবাদিক মনজিৎ বৰাই কয়, 'আমাক সাংবিধানিক স্বীকৃতিৰ প্ৰয়োজন নাই, কৰ্মই ধৰ্ম বুলি মানিব লাগিব। সাংবাদ ক্ষেত্ৰখন চৰকাৰৰ ওপৰত নিৰ্ভৰ নহৈ ৰাইজৰ ওপৰত নিৰ্ভৰ হ'ব পাৰিব লাগিব। সাংবাদিকসকলে প্ৰশ্নবোধক চিন কাৰোপৰা নহাকৈ কাম কৰিব পাৰিব লাগিব। সমাজক আগুৱাই নিবলৈ শুদ্ধ পথ দিব জানিব লাগিব। সমাজৰ বিভিন্ন ঠাইত যেতিয়া সন্মুখৰ আসনখন সাংবাদিকক দিয়া হয়,তাৰ মৰ্যাদা ৰাখিবলৈ সাংবাদিক সকললৈ তেওঁ আহ্বান জনায়। আনহাতে বিশ্ব প্ৰেছ দিৱসৰ লগত সংগতিৰাখি ডিব্ৰুগড়ৰ জ্যেষ্ঠ সাংবাদিক বিভাস দুৱৰাক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে, বিভাস দুৱৰাই বিগত তিনি দশক ধৰি নিষ্ঠা আৰু সততাৰে সংবাদ ক্ষেত্ৰখনলৈ নিৰৱচ্ছিন্নভাৱে অৱদান আগবঢ়াই আহিছে। অনুষ্ঠানত বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাৱৰ লগতে লাহোৱাল প্ৰেছ ক্লাবৰ সমূহ বিষয়ববীয়া, সদস্য উপস্থিত থকাৰ লগতে চাবুৱা প্ৰেছ ক্লাবৰ সম্পাদক বিশ্বজিৎ ফুকন, চাবুৱা প্ৰেছ গিল্ডৰ সম্পাদক পুস্তক ফুকন, টিংখং প্ৰেছ ক্লাবৰ সম্পাদক কৃষ্ণ গগৈ প্ৰমুখ্যে শতাধিক সাংবাদিক তথা সংবাদকৰ্মীৰ লগতে স্থানীয় ৰাইজৰ উপস্থিতি উল্লেখনীয়।

# মালিগাঁৱত শিশু আলোচনী 'মৌ-মেল' উন্মোচন



**গুৱাহাটী ঃ** শিশু দিৱসৰ লগত সংগতি ৰাখি ১৪ নৱেম্বৰত মালিগাঁৱৰ পাণ্ডুৰ নগৰৰ বলভদ্ৰ ওজা এম ই স্কুলত আয়োজিত এক অনুষ্ঠানত শিশু আলোচনী মৌ-মেলৰ ষষ্ঠ সংখ্যাটো উন্মোচন কৰা হয়। আলোচনীখন উন্মোচন কৰে বিশিষ্ট শিক্ষাবিদ তথা শিশু-সাহিত্যিক পৰেশ বৈশ্যই। আলোচনীখন উন্মোচন কৰি দিয়া ভাষণত বৈশ্যই কয় যে অসমীয়া শিশু আলোচনীৰ ইতিহাসে ইতিমধ্যে শতবৰ্ষ অতিক্ৰম কৰিছে। ১৯১৬ চনতেই হেমচন্দ্ৰ গোস্বামীৰ সম্পাদনাত ওলোৱা 'অৰুণ' জৰিয়তে অসমীয়া ভাষাত শিশু আলোচনীৰ জন্ম হয়। তেওঁ কয় যে অসমীয়া শিশু আলোচনীৰ এই দীঘলীয়া ইতিহাসত বহুতো শিশু আলোচনী প্ৰকাশ হ'ল যদিও সেইসমূহৰ আয়ুসকাল আছিল যেনেই কম। এতিয়াও অসমীয়া শিশু আলোচনীৰ সংখ্যা তুলনামূলকভাৱে যেনেই কম। তাৰ মাজতে কিৰণ দাসৰ সম্পাদনাত ওলোৱা 'মৌ-মেল' শিশু আলোচনীখনে শিশুসকলৰ মাজত সমাদৰ লাভ কৰাটো আশাৰ বতৰা। বৈশ্যই শিশুৰ বাবে কৰা কামৰ ভাষা শুদ্ধ আৰু সৰল হোৱাৰ লগতে বিষয়বস্তু মনোগ্ৰাহী হোৱাৰ ওপৰত গুৰুত্ব দিয়ে। মৌ-মেল প্ৰকাশনৰ সভাপতি সুশীল ডেকাৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাত সাহিত্যিক ড° লীলাধৰ হাজৰিকা, সাহিত্যসেৱী বিৰজা দেৱীয়ে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। আৰম্ভণিতে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে মৌ-মেলৰ সম্পাদিকা কিৰণ দাসে। শিশু দিৱস উপলক্ষে জৱাহৰলাল নেহৰুৰ প্ৰতিকৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে সুশীল ডেকাই। অনুষ্ঠানত কণকণ শিশুসকলে বিচিত্ৰ সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। ভানু চৌধুৰীয়ে বৰগীত পৰিৱেশন কৰে।


## বোকাখাতত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন

# "বিভ্ৰান্তিমূলক তথ্যৰ মাজত সংবাদসেৱাৰ বিশ্বাসযোগ্যতাক সুৰক্ষা" শীৰ্ষক আলোচনা-চক্ৰ




**মৃদুস্মিতা শৰ্মা, বোকাখাত ঃ** দেশৰ বিভিন্ন প্ৰান্তৰ লগতে বোকাখাততো ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন কৰা হয়। বোকাখাতৰ সম জিলা প্ৰশাসনৰ জনসংযোগ বিভাগৰ উদ্যোগত বোকাখাত প্ৰেছ ক্লাব, বোকাখাত মহকুমা সাংবাদিক সংস্থা আৰু ইলেক্ট্ৰনিকচ মেডিয়া জাৰ্নেলিষ্ট এচ'চিয়েচনৰ সহযোগিতাত বোকাখাত সম জিলা আয়ুক্তৰ কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত বোকাখাতৰ সমূহ সাংবাদিকৰ উপস্থিতিত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন কৰা হয়। বোকাখাত সম জিলাৰ সহকাৰী আয়ুক্ত তথা ভাৰপ্ৰাপ্ত তথ্য আৰু জনসংযোগ বিষয়া কুশল কলিতাই আঁত ধৰা অনুষ্ঠানত বোকাখাত প্ৰেছ ক্লাবৰ সভাপতি ভৱানন্দ কলিতা, সম্পাদক উত্তম শইকীয়া আৰু কাজিৰঙা আঞ্চলিক সাংবাদিক সংস্থাৰ সভাপতি নীলপদ্ম শৰ্মাই সমল ব্যক্তি হিচাবে উপস্থিত থাকি বিভ্ৰান্তিমূলক তথ্যৰ মাজত সংবাদসেৱাৰ বিশ্বাসযোগ্যতাক সুৰক্ষা প্ৰদান ওপৰত আলোচনা আগবঢ়ায়। আলোচনাত জ্যেষ্ঠ সাংবাদিক নীলু আচাৰ্য, অমৰ শৰ্মায়ো অংশগ্ৰহণ কৰি বক্তব্য ৰাখে। বোকাখাত সম জিলাৰ আয়ুক্ত শিৱানী জাৰ্ণগেলৰ সঞ্চালনাত অনুষ্ঠিত এই আলোচনাত জ্যেষ্ঠ সাংবাদিক উত্তম শইকীয়াই বিষয় বস্তুৰ ওপৰত সচিত্ৰ উপস্থাপনেৰে আলোচনাত অংশগ্ৰহণ কৰে। আনুষ্ঠানত অজন্তা তালুকদাৰ, বদন দুৱৰা, মৃদুস্মিতা শৰ্মাকে ধৰি বোকাখাত সমজিলাৰ বিভিন্ন প্ৰান্তৰৰ সাংবাদিক সকলৰ উপৰিও জনসংযোগ বিভাগৰ লোক সকলো উপস্থিত থাকে।

# ডিব্ৰুগড়ত ৪১৬ গৰাকী শিক্ষাৰ্থীক সোণোৱাল স্বায়ত্তশাসিত পৰিষদৰ উচ্চ শিক্ষাৰ জলপানি প্ৰদান



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** সোণোৱাল কছাৰী জনগোষ্ঠীৰ প্ৰথম গৰাকী আই এ এছ তথা সোণোৱাল কছাৰী সমাজৰ শিক্ষা ক্ষেত্ৰৰ এগৰাকী আদৰ্শ ব্যক্তি হেৰম্বনাথ বড়াৰ সোঁৱৰণত সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদে প্ৰতি বছৰে প্ৰদান কৰি অহা 'উচ্চ শিক্ষা প্ৰতিভা বঁটা' ডিব্ৰুগড়ত ৪১৬ গৰাকী শিক্ষাৰ্থীক প্ৰদান কৰা হয়। ইয়াৰে ২০২৪ বৰ্ষত ১৫১ গৰাকী আৰু ২০২৫ বৰ্ষৰ শিক্ষাৰ্থী হৈছে ২৬৫ গৰাকী। এই বঁটাত আছে ২০ হেজাৰ টকাৰ চে'ক আৰু প্ৰশস্তি পত্ৰ। এই উপলক্ষে ডিব্ৰুগড় জিলা পুথিভঁৰালত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম চৰকাৰৰ শক্তি আৰু দক্ষতা বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকনে কয় যে আৱেগিকভাৱে দুটা কথা কৈ কোনেও এটা জাতিক উদ্ধাৰ কৰিব নোৱাৰে। 'সোণোৱাল জনজাতি'ৰ নামৰ আগত সদায় 'ভূমিপুত্ৰ' শব্দটো ব্যৱহাৰৰ পোষকতা কৰি তেওঁ কয় যে আমি ব্ৰাহ্মণসকল হৈছো প্ৰব্ৰজিত। আমাৰ প্ৰব্ৰজনৰ সময় মাত্ৰ তিনিশ বা চাৰিশ বছৰ। কিন্তু ভূমিপুত্ৰ সোণোৱাল সকল ইয়াৰ আদিম অধিবাসী। সেয়ে এইসকল জনজাতীয় লোকে যিকোনো দিশত অগ্ৰাধিকাৰ লাভ কৰা উচিত। পূৰ্বতে তেওঁলোক সংগঠিত নাছিল যদিও পৰিষদ পিওগঠনৰ পিছৰ পৰা তেওঁলোক সংগঠিত হৈছে। কিন্তু আজিও পৰিষদে জনজাতিটোৰ হকে ৰিচাৰ্ছ আৰু উন্নয়নৰ কাম কৰিবলৈ বহু বাকী আছে। পৰিষদে শিক্ষাৰ শিতানত যথেষ্ট কাম কৰিছে বুলি শলাগ লৈ মন্ত্ৰী ফুকনে যিখিনি শিক্ষাৰ্থী আধাতে স্কুল এৰিছে সেইসকলক সমষ্টিয়ে সমষ্টিয়ে চিনাক্ত কৰি প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা কৰিবৰ বাবে আহ্বান জনাই এইক্ষেত্ৰত নিজৰ দক্ষতা বিভাগৰ তৰফৰ পৰা সম্পূৰ্ণ সহযোগিতা প্ৰদান কৰিব বুলি আশ্বাস প্ৰদান কৰে। সভাত ভাষণ প্ৰদান কৰি পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱালে সাম্প্ৰতিক একবিংশ শতিকাত যিহেতু হাতৰ মুঠিতেই পৃথিৱীখন পোৱা যায় সেইবাবে সকলোকে প্ৰতিযোগিতামুখী হোৱাৰ আহ্বান জনাই কয় যে উচ্চ শিক্ষা গ্ৰহণ কৰাসকলেই হৈছে জনজাতিটোৰ ভৱিষ্যতৰ দিনৰ মূল সম্পদ। এই সম্পদৰ সদ্ব্যৱহাৰৰ বাবে পৰিষদে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ কথা উল্লেখ কৰি তেওঁ কয় যে বিশেষকৈ শিক্ষা বিভাগৰ তৰফৰ পৰা আজিপৰ্যন্ত বিভিন্ন শাখাত প্ৰশিক্ষণ প্ৰদান কৰি সহস্ৰাধিক যুৱক-যুৱতীয়ে বিভিন্ন স্থানত নিযুক্তি লাভ কৰিছে। কিন্তু উচ্ছতৰ মাধ্যমিক পৰ্যায়ত প্ৰায় ৯০ শতাংশই আধাতে শিক্ষা সামৰা কাৰ্য অত্যন্ত দুৰ্ভাগ্যজনক বুলি অভিহিত কৰি মুখ্য কাৰ্যবাহী সদস্য গৰাকীয়ে অনাগত দিনত এইক্ষেত্ৰত তেওঁলোকৰ বাবে বিশেষভাৱে আঁচনি গ্ৰহণ কৰিব বুলি উল্লেখ কৰি বঁটাপ্ৰাপক শিক্ষাৰ্থী সকলক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে 'শিপা'ৰ ঠিকনা নেৰি জনজাতিটোৰ হকে সেৱা আগবঢ়াবৰ বাবে আহ্বান জনায়। আনহাতে সভাৰ আদৰণি ভাষণ প্ৰদান কৰি পৰিষদৰ শিক্ষা বিভাগৰ সদস্য খনিন্দ্ৰ সোণোৱালে শিক্ষা বিভাগে বিগত সময়ত বিভিন্ন বৃত্তিগত প্ৰশিক্ষণ প্ৰদান কৰি অহা কাৰ্যসূচীসমূহৰ সম্পৰ্কে চমুকৈ আলোকপাত কৰি জলপানি লাভ কৰা শিক্ষাৰ্থীৰ ভিতৰত ল'ৰাৰ তুলনাত ছোৱালীৰ সংখ্যাই অধিক (ছোৱালীৰ প্ৰায় ৭০ শতাংশ) বুলি উল্লেখ কৰি চলিত বৰ্ষত পৰিষদে এইবাৰ চাৰি গৰাকী শিক্ষাৰ্থীক বিনামূলীয়াকৈ আইএএছ ক'ছিঙৰ বাবে দিল্লীৰ শিক্ষানুষ্ঠানলৈ প্ৰেৰণ কৰিছে বুলি জানিবলৈ দিয়ে। পৰিষদৰ প্ৰেছ উপদেষ্টা পেইম থি গোহাঁয়ে আঁত ধৰা অনুষ্ঠানত সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ উপাধ্যক্ষা অনামিকা বৰশইকীয়াকে ধৰি সদস্য ঋষিকেশ শইকীয়া, ৰিদীপ হাজৰিকা, বিশ্বজিৎ সোণোৱাল, ধীৰেণ সোণোৱাল, বসন্ত সোণোৱাল, দীপক সোণোৱাল, নন্দিনী ডেকা, ৰমনী হাজৰিকা, দুলেশ্বৰী বড়া, দীপ্তি সোণোৱাল, অসীম সোণোৱাল, যাদৱ ডেকাবৰুৱাসহ ভালেসংখ্যক গণ্যমাণ্য ব্যক্তি আৰু পাঁচ শতাধিক লোক উপস্থিত থাকে।

# অশোক আই, এ, এছ একাডেমিৰ সাফল্য

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও চহৰৰ মাজমজিয়াৰ পানীগাঁও চাৰিআলিৰ শ্ৰীমন্ত শংকৰদেৱ মিছন চৌহদত অৱস্থিত প্ৰতিযোগিতামূলক পৰীক্ষাৰ ক্ষেত্ৰত এখন আগশাৰীৰ শিক্ষানুষ্ঠানৰ নাম অশোকা আই, এ, এছ একাডেমি। শিক্ষানুষ্ঠানখনত অধ্যয়নত বহু ছাত্ৰ-ছাত্ৰীয়ে ইতিমধ্যে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে অনুষ্ঠিত কৰা প্ৰতিযোগিতামূলক পৰীক্ষা সমূহত সুখ্যাতিৰে উত্তীৰ্ণ হৈ বহু চৰকাৰী চাকৰি লাভ কৰিবলৈ সক্ষম হৈছে। তদুপৰি অলপতে অসম চৰকাৰে ঘোষণা কৰা এ, ডি, আৰ, ই (ADRE) পৰীক্ষাত শিক্ষানুষ্ঠানখনত অধ্যয়নত নিকি পাটৰে কৃষি সম্প্ৰসাৰণ সহায়ক পদত (Agriculture Extension Assintance post), অম্লান বৰঠাকুৰে পঞ্চায়তৰ সচিব (panchayat secretery) পদত নিযুক্তি লাভ কৰাৰ উপৰিও বহু ছাত্ৰ-ছাত্ৰীয়ে সাফল্য লাভ কৰিছে। শিক্ষানুষ্ঠানখনৰ পৰিচালনা সঞ্চালিকা হুনী ভূঞাই জানিবলৈ দিয়া মতে শিক্ষানুষ্ঠানখনত এ পি এছ চি, ইউ পি এছ চি, টেট, এন ডি এ আৰু বেংকিং অকে আদি কৰি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে অনুষ্ঠিত কৰা সকলোধৰণৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে আগতীয়াকৈ অভিজ্ঞতা সম্পন্ন প্ৰশিক্ষকৰ দ্বাৰা প্ৰশিক্ষণ প্ৰদান কৰা হয়। শিক্ষানুষ্ঠানখনৰ নগাঁও শাখাৰ লগতে গুৱাহাটী ৰাজগড় ৰোডত অৱস্থিত স্মাৰ্ট বজাৰৰ বিপৰীতে থকা শাখাটো উল্লেখিত বিভাগসমূহৰ বাবে নতুন গ্ৰুপৰ পাঠদান আৰম্ভ কৰা হ'ব। সবিশেষ জানিবলৈ ৮৮২২৮-২৩০০৩ নম্বৰত যোগাযোগ কৰিব পাৰিব।

# বৰজহাত জুবিন গাৰ্গৰ ওপজা দিনৰ উপলক্ষে বিনামূলীয়া চিকিৎসা সেৱা শিবিৰ



**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ বৰজহা গাঁৱত মঙলবাৰে এটি বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰা হয়। বৰজহাবাসীৰ উদ্যোগত তথা 'মাৰ্চি হাস্পতাল' আৰু 'ডাইমণ্ড ইনছট্ৰোমেন্ট'ৰ সহযোগত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৫৩ সংখ্যক ওপজা দিনৰ উপলক্ষে এই শিবিৰটোৰ আয়োজন কৰা হয়। সেই অনুসৰি পুৱা দহ বজাৰ পৰা বৰজহাৰ সামূহিক ভৱনত আৰম্ভ হোৱা এই শিবিৰটোত বৰজহা, ঘাঁহী আৰু দক্ষিণপাট অঞ্চলৰ দুই শতাধিক লোকৰ স্বাস্থ্য পৰীক্ষা কৰাৰ উপৰিও বিনামূলীয়াকৈ ঔষধো বিতৰণ কৰা হয়। ইফালে, শিবিৰৰ আৰম্ভণিতে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে বৰজহাৰ নামাচাৰ্য পংকজ বৰাই। লগতে পুষ্পাৰ্ঘ অৰ্পণৰ অনুষ্ঠানত সক্ৰিয় ৰাজহুৱা কৰ্মী প্ৰবীন মজুমদাৰ, দুৰ্লভ বৰা, পৰাগ বৰা, বিপুল বৰা আদিকে ধৰি কেইবা গৰাকীও জ্যেষ্ঠ নাগৰিক উপস্থিত থাকে। এই চিকিৎসা সেৱা শিবিৰত নগাঁৱৰ মাৰ্চি হাস্পতালৰ অভিজ্ঞ চিকিৎসক ডাঃ ঋষিৰাজ ৰয়, ডাঃ সুৰজিৎ বৰাৰ লগতে চিকিৎসাকৰ্মী ৰাণী থমাছ, আলবিনা, জবা ৰংহাং, লিলি বৰা, বৈজন্তী, ৰূপা, গীতাঞ্জলি কোঁৱৰ, দিলবাৰ্ট, লোকেশকে ধৰি মুঠ এঘাৰ গৰাকী চিকিৎসাকৰ্মী উপস্থিত থাকে। শিবিৰত উপস্থিত থকা সকলৰ মাজৰ পৰা অৰ্দ্ধ শতাধিক লোকৰ ৰোগ নিৰ্ণয়ৰ বাবে তেজৰ নমুনাও সংগ্ৰহ কৰা হয়।

# ঔষধৰ বিপণী মুকলি



**লক্ষ্যজ্যোতি বৰা ঃ** অসম-অৰুণাচল সীমান্তত যোৱা ১৭ নৱেম্বৰ তাৰিখ সোমবাৰে গ্ৰাহকৰ সুবিধাৰ্থে সুলভ মূল্যত লাভ কৰাকৈ এখনি ঔষধৰ বিপণী মুকলি কৰা হয়। অভিজ্ঞ ফাৰ্মাচিষ্ট সিংহজিৎ দেউৰী আৰু পত্নী তথা দিল্লী এইমছৰ জ্যেষ্ঠ নাৰ্চিং বিষয়া ৰশ্মিৰেখা দেউৰীৰ ব্যক্তিগত প্ৰচেষ্টাত অৰুণাচল প্ৰদেশৰ হোলঙী চেকপষ্টৰ সমীপত বিশিষ্ট সমাজকৰ্মী তথা জ্যেষ্ঠ সাংবাদিক ভুবন শইকীয়া, মুখ্য গাঁওপ্ৰধান নাবাম নিকি, পাষ্টাৰ টাবা লেচি, গাঁওপ্ৰধান টাৰা নিকি, নাবাম টেৰিং, সু- চিকিৎসক ডাঃ শংকৰ কুটুম, বজাৰ পৰিচালনা সমিতিৰ সভাপতি নাবাম নিচাম, ভৱনটোৰ মালিক টানা আগু, পূৱ ছয়দোৱাৰ ব্লকৰ সভাপতি হেম বৰুৱা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলৰ দ্বাৰা ৰাইজৰ সুবিধাৰ্থে 'এম এছ সিংহজিৎ দেউৰী মেডিকেল ছপ' নামেৰে ঔষধৰ বিপণীখন আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। উক্ত অনুষ্ঠানত সমাজসেৱক ক্ৰমে - ফুলেন চন্দ্ৰ দেউৰী, পাহাৰ সিং দেউৰী, নিৰন দেউৰী, ৰণজিত মুচাহাৰী, গোপীলাল ৰাৱাট, হেমন্ত দেউৰী, নৰেশ্বৰ দেউৰী, ইন্দেশ্বৰ দেউৰীকে ধৰি অসম-অৰুণাচল প্ৰান্তৰ বহু গণ্য-মান্য লোক উপস্থিত থাকে। ৰাইজৰ বাবে আগবঢ়োৱা মহান পদক্ষেপৰ বাবে লেখক ফুলেন চন্দ্ৰ দেউৰীৰ সু-সন্তান তথা সমাজ সচেতন যুৱক সিংহজিৎ দেউৰী আৰু পত্নী ৰশ্মিৰেখা দেউৰীৰ প্ৰচেষ্টাক সকলোৱে শলাগ লয়। বিশেষ কাৰ্যসূচীভাগৰ সফল ৰূপায়ণ হোৱাত গহপুৰ সমষ্টিৰ অন্তৰ্গত শান্তিপুৰ গাঁৱৰ উদ্যোগপতি স্বৰ্গীয় বগাই মহাজন আৰু পাইলী দেউৰী পৰিয়ালৰ পু-নাতি তথা বিপণীৰ স্বত্বাধিকাৰী সিংহজিৎ দেউৰীয়ে উপস্থিত সকলোকে কৃতজ্ঞতা প্ৰকাশ কৰে।

# নগাঁৱত বেদায়মৰ উদ্যোগত বিশেষভাৱে সক্ষম শিশুসকলৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান

## শাৰীৰিকভাৱে সক্ষম শিশুসকলক এখন মঞ্চ দিয়াৰ এক প্ৰয়াস ঃ বংকিমা চক্ৰৱৰ্তী

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও জিলা পুথিভঁৰাল পেক্ষাগৃহত বেদায়মৰ উদ্যোগত আৰু জিলা সমাজ কল্যাণ বিভাগৰ সহযোগত বিশেষভাৱে সক্ষম শিশু সকলক সমাজখনত এখন মঞ্চ, সাহস, উচ্ছাস-উদ্দীপনা জগাই তোলাৰ স্বাৰ্থত বেদায়ম অনুষ্ঠানখনৰ লগত জড়িত শিশুসকলৰ লগতে নগাঁও জিলাৰ ভিন্ন প্ৰান্তৰ পৰা অহা বিশেষভাৱে সক্ষম শিশুসকলক একত্ৰিত কৰি ৰাষ্ট্ৰীয় শিশু দিৱসটি সফলতাৰে সম্পন্ন হৈ যায়। অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰথমে বন্তি প্ৰজ্বলনেৰে অনুষ্ঠান ভাগৰ শুভাৰম্ভনি কৰে বিশিষ্ট নাট্যকাৰ সপোণটি বৰদলৈয়ে। তাৰ পিছত প্ৰায় ৫০ জনৰো অধিক শাৰীৰিকভাৱে সক্ষম শিশুসকলে গীত-মাত, নৃত্য, কবিতা আবৃত্তি, যোগাসন আৰু ৰেম্প ওৱাকৰ জৰিয়তে নিজৰ প্ৰতিভা উপস্থিত ৰাইজৰ আগত প্ৰদৰ্শন কৰে। অনুষ্ঠানত নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপৰ শৰ্মা উপস্থিত থাকি বেদায়ম কৰ্তৃপক্ষক ভূয়সী প্ৰশংসা কৰি কয়- শাৰীৰিকভাৱে সক্ষম শিশু সকলে আগবঢ়োৱা নিজৰ প্ৰতিভা প্ৰদৰ্শনত মই সচাকৈয়ে আপ্লুত হৈছোঁ লগতে এই চেগতে মই বেদায়ম কৰ্তৃপক্ষৰ পদক্ষেপক শলাগ লৈছো তদুপৰি অনাগত দিনসমূহত বেদায়ম অনুষ্ঠানটোক সহায়-সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। ইপিনে বেদায়মৰ জন্মদাতা তথা পৰিচালনা সঞ্চালিকা বংকিমা



চক্ৰৱৰ্তীয়ে উদেশ্য ব্যাখা কৰা সভাখনত প্ৰতিষ্ঠানখনৰ উপদেষ্টা মালবিকা শইকীয়াই পৰ্যটক বিষয়া অমূল্য শাস্ত্ৰী, সমাজসেৱিকা তনু দেৱী, দুৰ্লভ পৱন বৰুৱা, সমাজ কল্যাণ বিষয়া অন্তৰীক্ষা পৰাশৰ, সমাজসেৱিকা শৰ্মিষ্ঠা শৰ্মাকে আদি কৰি বহু গণ্যমান্য ব্যক্তি সকলক সম্বৰ্ধনা জনায়। উল্লেখ্য যে বেদায়মৰ এনে প্ৰচেষ্টাক নগাঁৱৰ এক শ্ৰেণীৰ সচেতন ৰাইজে শলাগ লৈছে আৰু অনাগত দিনসমূহত এই অনুষ্ঠানখনে শাৰীৰিকভাৱে সক্ষম শিশুসকলক উচ্ছাস-উদ্দীপনা জগাই তুলিব বুলি আশা কৰিছে।

# বটদ্ৰৱাত নগাঁও জিলা কোচ ৰাজবংশী সন্মিলনী মহিলা সমিতিৰ সাধাৰণ সভা সম্পন্ন

## জনজাতিকৰণৰ দাবীৰে উত্তাল কৰিলে গুৰুজনাৰ পবিত্ৰ জন্মভূমি



**জয়ন্ত মুদৈ, নগাঁওঃ** সমগ্ৰ ৰাজ্যতে শেহতীয়াভাৱে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবীত পৰিৱেশ উত্তাল হৈ থকাৰ সময়তে দেওবাৰে পুৱাই মধ্য অসমৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ পৱিত্ৰ জন্মভূমি বটদ্ৰৱাত তেনে এক পৰিৱেশৰ সৃষ্টি হয়। আচলতে, সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ উদ্যোগত বটদ্ৰৱাৰ শ্ৰীমন্ত শংকৰদেৱ গৱেষণা প্ৰতিষ্ঠানৰ চৌহদত জনজাতিকৰণৰ দাবীৰে পৰিবেশ উত্তাল কৰি তোলা হয়। সমৱেত জনগোষ্ঠীটোৰ লোকসকলে বিভিন্ন শ্ল'গানেৰে আকাশ-বতাহ কঁপাই তুলি অনতিপলমে কোচ ৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণ নকৰিলে ইয়াৰ পৰিণাম ভোগ কৰিব লাগিব বুলি বিজেপি চৰকাৰৰ প্ৰতি সকিয়নী প্ৰদান কৰে । উল্লেখ্য যে, দেওবাৰে বটদ্ৰৱাৰ শ্ৰীমন্ত শংকৰদেৱ গৱেষণা প্ৰতিষ্ঠানৰ সভাগৃহত নগাঁও জিলা কোচ ৰাজবংশী সন্মিলনী মহিলা সমিতিৰ সাধাৰণ সভা অনুষ্ঠিত কৰা হয়। সেয়ে এই সাধাৰণ সভাৰ পূৰ্বে জনজাতিকৰণ দাবীৰে এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই প্ৰতিবাদী কাৰ্যসূচীৰ অন্তত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, বীৰ চিলাৰায় আৰু শেহতীয়াকৈ মহাপ্ৰয়াণ ঘটা মৰমৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণেৰে এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। ইয়াৰ পিছতে নগাঁও জিলা কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি প্ৰভাত বৰাৰ সঞ্চালনাত সাধাৰণ সভাখনি অনুষ্ঠিত কৰা হয়। কাছমাৰী অঞ্চলৰ যুৱতীসকলৰ দ্বাৰা জনগোষ্ঠীয় নৃত্য পৰিৱেশনেৰে শুভাৰম্ভ হোৱা সভাখনিৰ উদ্দেশ্য ব্যাখ্যা কৰে নগাঁও জিলা কোচ ৰাজবংশী সন্মিলনীৰ সাধাৰণ সম্পাদক জয়ন্ত হাজৰিকাই। সভাত মুখ্য অতিথি হিচাপে সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ প্ৰধান সম্পাদক ৰাণাদিত্য বৰ্মনে অংশগ্ৰহণ কৰি কয় যে--অসমীয়া কলা-কৃষ্টি-সংস্কৃতিৰ জনক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক প্ৰতিষ্ঠা কৰাৰ মূল ব্যক্তি হৈছে কোঁচ ৰজা নৰনাৰায়ণ আৰু মহাবীৰ চিলাৰায়। পিছে দুখৰ বিষয় শংকৰদেৱক যিয়ে বনালে তেওঁলোককেই আজিৰ অসমীয়াই স্বীকাৰ নকৰে। সেইকথা মানি ল'ব টান পায়। আজিৰ তাৰিখটো যথোচিত সন্মান দিয়া নাই নৰনাৰায়ণ আৰু চিলাৰায়ক। আনকি শংকৰদেৱৰ গুৰুজনাৰ পবিত্ৰ জন্মভূমিত নাই নৰনাৰায়ণ আৰু চিলাৰায়ৰ মূৰ্তি। কোচ ৰাজবংশীৰ লোকসকলৰ সমাজপ্ৰীতি আৰু সহনশীলতাৰ কথা দোহাৰি প্ৰধান সম্পাদক গৰাকীয়ে কয় যে- আমি কোচ জনগোষ্ঠীৰ লোকসকল অসমৰ বায়ু-পানী-মাটিৰ লগত ইমানেই সংপৃক্ত হৈ পৰিছো যে আমি নিজৰ কৃষ্টি-সংস্কৃতিক পাহৰি গৈছো। বৰ্তমান সময়ত কোচ জনগোষ্ঠীৰ ভাষা-গীত-নৃত্যৰ কোনো চৰ্চা নাই। ভাষণ প্ৰসংগত তেওঁ বঙাইগাঁৱত ২০১৪ চনৰ ১৯ এপ্ৰিলত অনুষ্ঠিত হোৱা এখন বিশাল ৰাজহুৱা সভাত নৰেন্দ্ৰ মোডীয়ে যদিহে তেওঁ দেশৰ প্ৰধানমন্ত্ৰী হয় তেন্তে কোচ ৰাজবংশীসকলক জনজাতিকৰণ কৰাৰ যি প্ৰতিশ্ৰুতি দিছিল সেয়া আজিও পূৰণ নকৰাৰ কথা উনুকিয়াই বিজেপি চৰকাৰৰ বিভিন্ন আচনিসমূহৰ সমালোচনা কৰে। নিজৰ ভাষণত কোচ জনগোষ্ঠীৰ নেতাগৰাকীয়ে তেওঁলোকক চৰকাৰে জনজাতিকৰণ কৰিব লাগিবই বুলি উল্লেখ কৰি লগতে কয় যে- অধিক জনসংখ্যা থকা জনগোষ্ঠীটো হৈছে কোচ ৰাজবংশীসকল। কিন্তু আমি একত্ৰিত হ'ব পৰা নাই বাবে তাৰ সুবিধা লৈ আহিছে চৰকাৰে। গাম্ভীৰ্যপূৰ্ণ সভাখনিত সদৌ অসম কোচ ৰাজবংশী মহিলা সন্মিলনীৰ সম্পাদিকা জয়া দাস, নগাঁও জিলা কোচ ৰাজবংশী সন্মিলনীৰ কাৰ্যকৰী সভাপতি মনোজ কুমাৰ শইকীয়া, উপ-সভাপতি অৰবিন্দ ডেকা, তুৱাৰাম বৰা, সাংগঠনিক সম্পাদক অমূল্য চন্দ্ৰ বৰা, সমাজকৰ্মী সুনীল বৰুৱাকে প্ৰমুখ্য কৰি জনগোষ্ঠীটোৰ কেইবাশতাধিক পুৰুষ-মহিলা উপস্থিত থাকে। উক্ত সভাতে কল্পনা ডেকাক সভানেত্ৰী, গীতাঞ্জলি কোচক কাৰ্যকৰী সভানেত্ৰী, অনামিকা ৰাজকুমাৰীক সম্পাদিকা, ৰূপা মনি শইকীয়াক সহকাৰী সম্পাদিকাৰ লগতে ৰাজ্যিক সদস্যা হিচাপে মাতু শইকীয়া আৰু অৰ্চনা ডেকাক নিৰ্বাচিত কৰি সৰ্বসন্মতিক্ৰমে নগাঁও জিলা কোচ ৰাজবংশী সন্মিলনী মহিলা সমিতিখন নতুনকৈ গঠন কৰা হয়।

# শুৱালকুছিৰ বিভিন্ন স্থানত জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মদিন পালন

## ভাৰতীয় জনতা পাৰ্টীৰ উত্তৰ কামৰূপ জিলাৰ উদ্যোগত ৰক্তদান শিবিৰ



**প্ৰবীণ কুমাৰ দাস, শুৱালকুছিঃ** সমগ্য ৰাজ্যৰ লগতে শুৱালকুছিতো ১৮ নৱেম্বৰত বিভিন্ন স্থানত ভিন ভিন দল সংগঠনে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মদিন উদ্‌যাপন কৰা হয়। ইয়াৰ ভিতৰত বিজেপিৰ উত্তৰ কামৰূপ জিলাৰ উদ্যোগত হাজো-শুৱালকুছি সমষ্টিৰ প্ৰায় ২০০ গৰাকীয়ে ৰক্তদান কৰে। স্থানীয় এইচ এম বি বিবাহ ভৱনত অনুষ্ঠিত ৰক্তদান শিবিৰটো মুকলি কৰে শুৱালকুছি জিলা পৰিষদৰ সদস্য ধীৰাজ মহন্তই। উপস্থিত থাকে হাজো-শুৱালকুছিৰ বিধায়িকা সুমন হৰিপ্ৰিয়া, বিজেপিৰ অনুসূচিত জাতি মৰ্চাৰ ৰাজ্যিক উপ-সভাপতি ডাঃ বেদব্ৰত পাঠক, প্ৰাণজিৎ দাস, বিজেপিৰ জ্যেষ্ঠ কৰ্মী প্ৰকাশ চন্দ্ৰ দাসকে ধৰি বিষয়ববীয়া কৰ্মী সকল। আনহাতে জুবিন ফেন ক্লাৱ শুৱালকুছি, শুৱালকুছি আঞ্চলিক ছাত্ৰ সন্থা, সদৌ বংশৰ ক্ৰীড়া স্থানকে ধৰি একাধিক দল-সংগঠনে জুবিন গাৰ্গৰ জন্মদিন উদ্‌যাপন কৰে। আনহাতে শুৱালকুছি সাংবাদিক সন্থাই ৰিতম পুথিভঁৰালত জুবিন গাৰ্গৰ জন্মদিন উপলক্ষে মানৱ দৰদী জুবিন গাৰ্গৰ প্ৰকৃতি প্ৰেম আৰু শিল্প সংস্কৃতি শীৰ্ষক এক আলোচনা-চক্ৰ অনুষ্ঠিত কৰে। সমল ব্যক্তি হিচাপে উপস্থিত থাকে শুৱালকুছি বুদৰাম-মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ প্ৰবক্তা ড° বিজয় কৃষ্ণ দলে। ইফালে হালোগাঁও অভয় চৰণ চৌধুৰী ষ্টেডিয়ামতো সদৌ অসম ১০৮ মৃত্যুঞ্জয় কৰ্মচাৰী সন্থায়ো প্ৰাণৰ শিল্পী গৰাকীৰ জন্মদিন উদ্‌যাপন কৰি ৰক্তদান শিবিৰ, স্বাস্থ্য শিবিৰ বস্ত্ৰ বিতৰণ আৰু নাহৰ পুলি বিতৰণৰ কৰে।

# নদুৱাৰত অসম কলেজ অধ্যক্ষ পৰিষদৰ দৰং-শোণিতপুৰ-বিশ্বনাথ মণ্ডলৰ চতুৰ্থ দ্বি-বাৰ্ষিক অধিৱেশনখন অনুষ্ঠিত হয়




**চন্দন শৰ্মা, তেজপুৰ ঃ** নদুৱাৰৰ ভৰলীপৰীয়া কন্যকা বহুমুখী কৃষি প্ৰকল্পত অসম কলেজ অধ্যক্ষ পৰিষদৰ দৰং-শোণিতপুৰ-বিশ্বনাথ মণ্ডলৰ চতুৰ্থ দ্বি-বাৰ্ষিক অধিবেশনখন অনুষ্ঠিত হয়। লোকপ্ৰিয় অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শুকদেৱ আধিকাৰীয়ে সভাপতিত্বত কৰা অধিৱেশনখনিত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে নদুৱাৰ বিধানসভা সমষ্টিৰ বিধায়ক তথা গৰুখুঁটি প্ৰকল্পৰ অধ্যক্ষ পদ্ম হাজৰিকা আৰু আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে ছয়দুৱাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অঞ্জন ওজা। ভাষণ প্ৰসংগত বিধায়ক পদ্ম হাজৰিকাই ছাত্ৰ-ছাত্ৰী সকলক কৃষি কৰ্মৰ প্ৰতি আগ্ৰহী কৰি তুলিবলৈ অধ্যক্ষসকলক অনুপ্ৰেৰণা যোগাবলৈ আহ্বান জনায়। কাৰণ অসম এখন কৃষিপ্ৰধান ৰাজ্য আৰু কৃষি কৰ্মৰ দ্বাৰাহে আৰু আমাৰ ছাত্ৰ-ছাত্ৰীসকলে পথাৰ আৰু বজাৰ দখল কৰিবলৈ সক্ষম হ'ব বুলি তেখেতে উল্লেখ কৰে। ড° অঞ্জন ওজাই আগতকৈ অধ্যক্ষসকলৰ কামৰ বোজা অধিক হোৱা বুলি মন্তব্য কৰে। ৰঙাপৰা মহাবিদ্যালয়ৰ অধ্যক্ষ তথা অসম কলেজ অধ্যক্ষ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক ড° ৰঞ্জন কলিতাই ড্ৰপ আউট ছাত্ৰ-ছাত্ৰীসকলক স্বনিৰ্ভৰশীল কৰাৰ বাবে বিশেষ ব্যৱস্থা ল'বলৈ মহাবিদ্যালয়ৰ সমূহত একো একোটা বিশেষ কোষ স্থাপন কৰাৰ ওপৰত গুৰুতৰ আৰোপ কৰে। অধিৱেশনত অসম কলেজ অধ্যক্ষ পৰিষদৰ দৰং-শোণিতপুৰ-বিশ্বনাথ মণ্ডলৰ আগন্তুক দুটা বছৰৰ বাবে এখন নতুন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। উক্ত সমিতিখনে সভাপতি হিচাপে ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অজিত হাজৰিকাক, উপ-সভাপতি হিচাপে দৰং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পলাশমণি শইকীয়াক, সাধাৰণ সম্পাদক হিচাপে মঙ্গলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলা কান্ত বৰাক আৰু সহকাৰী সম্পাদক হিচাপে তেজপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মনোজ কুমাৰ হাজৰিকাক দ্বায়িত্বভাৰ অৰ্পণ কৰা হয়।

# শুৱালকুছি ৰাস মহোৎসৱৰ বাৰ্ষিক মুখপত্ৰ 'কৃষ্ণামৃত' উন্মোচন



**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** সাৰ্বজনীন ৰাস মহোৎসৱ উদ্‌যাপন সমিতি, শুৱালকুছিৰ স্মৃতি গ্ৰন্থ উপ-সমিতিৰ উদ্যোগত ১৩ নৱেম্বৰত ৰাস মহোৎসৱৰ মঞ্চত বাৰ্ষিক মুখপত্ৰ 'কৃষ্ণামৃত'খন ত্ৰয়োবিংশতম সংখ্যা উন্মোচন কৰা হয়। সম্পাদক দুলু কলিতাৰ সম্পাদনাত প্ৰকাশিত মুখপত্ৰখন উন্মোচন কৰে ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ বুঢ়া সত্ৰীয়া ৰাজীৱ লোচন সন্ত বাপে। প্ৰৱন্ধ, গল্প ৰাসতত্ব কবিতা শিতানৰে ভৰপুৰ বৃহৎ কলেৱৰ পূৰ্ণ কৃষ্ণামৃত উন্মোচন কৰি সত্ৰীয়া বাপে কয়, ৰাস হৃদয়ৰ খেলা মগজুৰ নহয়। মগজুৰ খেলাত পোৱা-নোপোৱাৰ হিচাপ কৰা হয়। কিন্তু হৃদয়ৰ খেলাত ইয়াৰ উৰ্ধত থাকি হৃদয়ৰে সংপৃক্ত হৈ সাধন ভক্তি স্তৰত উপনীত হয়। য'ত দয়া কৰুণা শ্ৰদ্ধা প্ৰেম সত্য আদি মানৱীয় গুণ সমাহিত হৈ যি ক্ৰীড়াৰ সৃষ্টি হ'ল সেয়াই ৰাস বুলি কয়। উন্মোচনী সভাত বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰি শুৱালকুছি বুদৰাম-মাধব সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° চিত্তৰঞ্জন দাসে শৰৎ কালৰ পূৰ্ণিমাত গোপীসকলৰ লগত কৰা কৃষ্ণৰ ৰাস ক্ৰীড়াৰ বিশ্লেষণাত্মক বৰ্ণনা কৰে। উন্মোচনী সভাত ৰাস মহোৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি ৰাজীৱ দাস, উপ-সভাপতি প্ৰবীণ কুমাৰ দাস, কাৰ্যকৰী সভাপতি সমীন্দ্ৰ দাসক, সম্পাদনা সমিতিৰ উপদেষ্টা মলিন কলিতা, উপদেষ্টা ড° পৰশমণি দাস সম্পাদক দুলু কলিতা, সহকাৰী সম্পাদক কৌস্তভ মণি দাস, পাৰ্থ জ্যোতি মেধি উপস্থিত থাকে। স্মৃতিগ্ৰন্থ লেখক-লেখিকাসকলক ফুলাম গামোচাৰে সম্ভাষণ জনোৱা হয়।

# দৰং জিলাৰ ছিপাঝাৰত এ আই এন লাইভৰ উদ্যোগত সাংবাদিক চন্দন শৰ্মালৈ 'সাংবাদিক উত্তৰণ' বঁটা প্ৰদান




**নিউজ ডেস্ক ঃ** ঐতিহাসিক দৰং জিলাৰ ছিপাঝাৰত আধুনিক সংবাদ মাধ্যমৰ সৈতে ন-ৰূপত সংযোজন হোৱা এ আই এন লাইভৰ উদ্যোগত ছিপাঝাৰৰ দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ প্ৰেক্ষাগৃহৰ মঞ্চত আয়োজিত প্ৰথম বৰ্ষপূৰ্তি অনুষ্ঠানত বিশিষ্ট অতিথিসকলক সম্বৰ্ধনাৰ লগতে বিশেষ বঁটা প্ৰদান অনুষ্ঠানৰ সফলৰূপে সম্পন্ন হয়। ইয়াৰে সংবাদ ক্ষেত্ৰখনত বহু ধৈৰ্য্য, ত্যাগ, কষ্টৰে সুদীৰ্ঘ দহ বছৰ কাল নিৰলহ প্ৰচেষ্টাৰে শোণিতপুৰ জিলাৰ লগতে অন্য জিলাৰ বিভিন্ন প্ৰান্ততো খবৰৰ ওপৰত খৱৰ সংগ্ৰহ কৰি বিভিন্ন সংবাদ মাধ্যম আৰু বহুকেইখন জনপ্ৰিয় কাকতৰ জৰিয়তে প্ৰকাশ কৰি ৰাইজৰ মাজত এক যোগাত্মক সৃষ্টিশীলৰ বাৰ্তা দিবলৈ সক্ষম হোৱা শোণিতপুৰ জিলাৰ ঐতিহ্যমণ্ডিত জামুগুৰিহাটৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি হিচাপে পৰিচিত বৃহত্তৰ ৰঙাচকুৱা অঞ্চলৰ নিৱাসী চন্দন শৰ্মালৈ এ আই এন লাইভ গোষ্ঠীৰ তৰফৰ পৰা ২০২৫ বৰ্ষৰ 'সাংবাদিক উত্তৰণ' বঁটা প্ৰদান কৰে । শৰ্মা হৈছে ৰঙাচকুৱাৰ নিৱাসী জগত শৰ্মা আৰু ৰাণু শৰ্মাৰ একমাত্ৰ সু-পুত্ৰ। বঁটা প্ৰাপক শৰ্মাই তেখেতৰ ভাষণ প্ৰসংগত কয় যে - 'বিশিষ্ট লিখকসকলৰ দ্বাৰা ৰচিত কিতাপসমূহ অধ্যয়ন কৰিহে সাহিত্যৰ পথাৰখন চহকী কৰিব লাগিব। জ্যেষ্ঠসকলে শিকাই যোৱাৰ লগতে আমি অধ্যয়নৰ জৰিয়তেহে একো একোটা শুৱলা শব্দৰ সৃষ্টি হয়। বৰ্তমান উঠি অহা প্ৰজন্মসকলৰ বাবে সাহিত্যৰ প্ৰতি গুৰুত্ব দিয়াত অভিভাৱকসকলৰ বিশেষ অৱদান হোৱা উচিত। নহ'লে আধুনিকতাৰ প্ৰতি ঢাল খাই নিজৰ ভাষা সংস্কৃতি পাহৰি ধ্বংসৰ পথলৈহে যাব। ছিপাঝাৰৰ জনতা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ হৰেন ডেকাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা এখনি গাম্ভীৰ্যপূৰ্ণ সভাত উক্ত বঁটা প্ৰদান কৰা হয়। গীত-নৃত্য-কবিতাৰে জীপাল হৈ উঠা অনুষ্ঠানৰ লগত সংগতি ৰাখি বিভিন্ন প্ৰান্তৰ সুযোগ কিম্বা আগ্ৰহৰ অভাৱত প্ৰচাৰ বিমুখ ভালেকেইজন প্ৰকৃত সাহিত্য-সংস্কৃতিবান ব্যক্তি, সমাজ সংগঠকক বিশেষভাৱে সন্মানিত কৰে এ আই এন লাইভ গোষ্ঠীৰ তৰফৰ পৰা। উক্ত অনুষ্ঠানত বহুকেইজন বিশিষ্ট অতিথিৰ অংশগ্ৰহণে সৌষ্ঠৱ বৃদ্ধি কৰা দেখা যায়।

# কামৰূপত জিলা প্ৰশাসনৰ উদ্যোগত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন




**ৰমেন ভৰালী, বংশৰ ঃ** সমগ্ৰ দেশৰ লগতে যোৱা ১৬ নৱেম্বৰত কামৰূপ জিলাতো ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন কৰা হয়। কামৰূপ জিলা প্ৰশাসন আৰু কামৰূপ জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত কামৰূপ জিলাৰ আমিনগাঁওস্থিত সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ কাৰ্যসূচী অনুষ্ঠিত হয়। সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকি কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই সকলো সংবাদকৰ্মীক ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ এক সুস্থ সমাজ ব্যৱস্থা বৰ্তাই ৰখাৰ দিশত সংবাদ মাধ্যমৰ ভূমিকাৰ কথা উল্লেখ কৰে। তেওঁ ভাষণ প্ৰসংগত সমাজ এখনক সঠিক দিশত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সংবাদ মাধ্যমৰ সমালোচনাত্মক ভূমিকাৰ গুৰুত্বৰ কথাও উল্লেখ কৰে। জিলা আয়ুক্তগৰাকীয়ে সমাজ গঠন আৰু ফলপ্ৰসূ প্ৰশাসনক সহায় কৰাৰ ক্ষেত্ৰত সংবাদ মাধ্যম গুৰুত্বৰ ওপৰত আলোকপাত কৰে। অসামৰিক সেৱাৰ বিষয়া হিচাপে আয়ুক্তগৰাকীয়ে তেওঁৰ অভিজ্ঞতাৰ ওপৰত বহলভাৱে ব্যাখ্যা কৰে। সংবাদ সেৱী বিশেষকৈ সকলক ইলেক্ট্ৰনিক আৰু ডিজিটেল মাধ্যমৰ ক্ষেত্ৰত দ্ৰুত পৰিৱৰ্তনৰ সৈতে খাপ খোৱাৰ বাবে সময় অনুসৰি আগবাঢ়ি যাব লাগিব আৰু নিজকে নিৰন্তৰ আধুনিক ধ্যান-ধাৰণাৰ সৈতে পৰিচয় কৰিব লাগিব বুলি আয়ুক্ত গৰাকীয়ে উল্লেখ কৰে। অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকি এইবাৰৰ ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ মূল বিষয়বস্তু 'বিভ্ৰান্তিমূলক তথ্যৰ মাজত সংবাদসেৱাৰ বিশ্বাসযোগ্যতাক সুৰক্ষা প্ৰদান'ৰ ওপৰত ব্যাখ্যা আগবঢ়ায় প্ৰাক্তন জিলা তথ্য আৰু জনসংযোগ বিষয়া অনুপজ্যোতি চৌধুৰীয়ে। নিৰ্দিষ্ট বক্তা গৰাকীয়ে বিশেষভাৱে বৰ্তমানৰ ছচিয়েল মিডিয়া আৰু ডিজিটেল মিডিয়াৰ যুগত সংবাদ ক্ষেত্ৰখনলৈ অহা পৰিৱৰ্তনৰ বিষয়ে উল্লেখ কৰে। লগতে ডিজিটেল যুগত ভুল তথ্যৰ দ্বাৰা উদ্ভৱ হোৱা বৰ্ধিত প্ৰত্যাহ্বানৰ আৰু নৈতিক সাংবাদিকতা, তথ্যগত শুদ্ধতা আৰু পেছাদাৰী অখণ্ডতা বজাই ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ভুৱা বাতৰিৰ বিপদৰ বিৰুদ্ধে সতৰ্ক কৰে আৰু অপৰ্যাপ্ত প্ৰমাণীকৰণৰ বাবে সংবাদ মাধ্যমসমূহক বিপথে পৰিচালিত কৰাৰ উদাহৰণ উল্লেখ কৰে। তেওঁ দায়িত্বশীল প্ৰতিবেদন আৰু তথ্য সমূহ পৰীক্ষা কঠোৰভাৱে পালন কৰাৰ বাবেও আহ্বান জনায়। অনুষ্ঠানত কেইবাজনো সাংবাদিকে ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ দিনটোত সংবাদকৰ্মী হিচাবে তেওঁলোকৰ মনৰ ভাৱ ব্যক্ত কৰাৰ লগতে সংবাদকৰ্মী হিচাবে কৰ্মক্ষেত্ৰত সন্মুখীন হৈ অহা প্ৰত্যাহ্বানসমূহ, সুৰক্ষা আৰু বিগত সময়চোৱাত সংবাদ জগতলৈ অহা পৰিৱৰ্তন সন্দৰ্ভত বক্তব্য আগবঢ়ায়। জিলা ভিত্তিক কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত কাৰ্যসূচীত কামৰূপ জিলাৰ অতিৰিক্ত আয়ুক্ত গৰ্গ মোহন দাস, পলাশবাৰী সম-জিলা আয়ুক্ত ৰশ্মি বৰুৱা গগৈ, নগৰবেৰা ৰাজহ চক্ৰৰ চক্ৰবিষয়া, সহকাৰী আয়ুক্তকে ধৰি জিলাখনৰ সকলো সাংবাদিক উপস্থিত থাকে।

## শ্ৰদ্ধাঞ্জলি

# ডাঙৰ দাদাক সুঁৱৰি




মৃত্যু এক শাশ্বত সত্য। যি মানি ল'ব নিবিচাৰিলেও এক চিৰন্তন সত্য। তথাপিও কিছুমান মৃত্যুক আমি সহজভাৱে ল'ব নোৱাৰো। যোৱা ৩১ অক্টোবৰ, ২০২৫ত আমাৰ ডাঙৰ দাদা ডিম্বেশ্বৰ বৰাই (৬২) এই পৃথিৱীৰ পৰা চিৰদিনৰ বাবে বিদায় ল'লে। দীৰ্ঘদিন ধৰি জটিল ৰোগত আক্ৰান্ত হৈ থকা দাদাই অৱশেষত নিয়তিৰ ওচৰত হাৰ মানি একেবাৰে গ'লগৈ শান্তিধামলৈ। দাদাৰ বিয়োগে আমাৰ পৰিয়ালটোৰ সকলোকে শোকাভিভূত কৰি তুলিলে। ঘৰখনৰ সকলোৰে এনেকুৱা অনুভৱ হ'ল যে, আমাৰ সোঁহাতখন ছিঙি গ'ল। কিয়নো আমাৰ পৰিয়ালটোৰ ৰাজহাড় আছিল মোৰ ডাঙৰ দাদা। দাদা আছিল অতি সৎ, সহজ সৰল, নিষ্ঠাবান, নম্ৰ, ভদ্ৰ আৰু শান্তপ্ৰকৃতিৰ লোক। মেট্ৰিক পাছ কৰাৰ পিছতেই মোৰ ডাঙৰ দাদাই সেনাবাহিনীৰ চাকৰিত যোগদান কৰিছিল। তাৰ আগতে অসম আন্দোলনৰ সময়ত দাদা যদিও আন্দোলনকাৰী নাছিল। তথাপিও দাদাই এবাৰ জে'লত কাৰাবাস খাটিবলগীয়া হৈছিল। চাকৰি পোৱাৰ পিছতেই দাদা বিবাহপাশত আবদ্ধ হৈছিল। দাদা সেনা বাহিনীৰ চাকৰিত নিয়োজিত হৈ থকাৰ সময়ত আমাৰ ঘৰখনৰ আৰ্থিক অৱস্থা একেবাৰেই দুৰ্বল আছিল। চাকৰি পোৱাৰ পিছত দাদাই ঘৰৰ সমস্ত দায়িত্ব কান্ধ পাতি লৈছিল। এই ক্ষেত্ৰত দাদাক পূৰ্ণ সহযোগিতা আগবঢ়াইছিল উদাৰ মনৰ অধিকাৰী ডাঙৰ বৌৱে। দাদাই দিয়া প্ৰত্যেকটো পৰামৰ্শ আমাৰ ঘৰখনৰ বাবে বৰ গুৰুত্বপূৰ্ণ আছিল। দাদা সকলো কামতেই পাৰ্গত আছিল। কোনো কামৰ বাবে কাৰোলৈকে দাদাই বাট চোৱা নাছিল। ঘৰখনৰ প্ৰতিটো কামতে দাদা আমাৰ সকলোৰে বাবে সাহস আছিল। ২০২২ বৰ্ষত যেতিয়া দাদা জটিল ৰোগত আক্ৰান্ত হ'ল, প্ৰথমতে দাদাৰ বেমাৰটোৰ কথা শুনি আমাৰ পৰিয়ালৰ কাৰোৰে বিশ্বাস হোৱা নাছিল। কাৰণ ইমান সুস্থ হৈ থকা মানুহজনৰ ইমান এটা ডাঙৰ বেমাৰ হ'ব পাৰে বুলি আমি কাহানিও কল্পনা কৰা নাছিলো। তথাপিও দাদাক আমি সকলোৱে আৰোগ্য কৰি তুলিবৰ বাবে উন্নত চিকিৎসাৰ ব্যৱস্থা গ্ৰহণ কৰিছিলো। বিগত তিনি বছৰ ধৰি দাদাৰ ৰোগ নিৰাময়ৰ বাবে চিকিৎসা চলিল যদিও দাদা সম্পূৰ্ণ সুস্থ হৈ নুঠিল। বিধিৰ বিধান কেতিয়াও মচিব নোৱাৰি। অৱশেষত দাদাই নিঃশব্দে নিৰলে আমাৰ মাজৰ পৰা একেবাৰে গ'লগৈ অজান মুলুকলৈ। ২০০৪ চনত দাদাই চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে আৰু পৰৱৰ্তী সময়ত দাদাই পূব নগাঁও কলংপৰীয়া অৱসৰপ্ৰাপ্ত সৈনিক সন্থাত দীৰ্ঘদিন ধৰি এগৰাকী সক্ৰিয় সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰি সেৱা আগবঢ়াইছিল।

কায়িকভাৱে বৰ্তমান দাদা নাথাকিলেও, চিৰদিন আমাৰ হৃদয়ত থাকি যাবি। কেতিয়াও খন্তেকৰ বাবে নাপাহৰো দাদাক। কাৰণ দাদাই ঘৰখনৰ বাবে বহুত কৰিছিল। দাদাৰ মৃত্যু আমাৰ ঘৰখনৰ বাবে অপূৰণীয় ক্ষতি। আৰু নিলিখো। লিখিব নোৱাৰো যদিও বহু কথাৰে বুকু ভৰি আছে। সকলো কথা জানো ভাষাৰে প্ৰকাশ কৰা সম্ভৱ? দাদাৰ লগত আমাৰ পৰিয়ালৰ সকলোৱে দীৰ্ঘ সময় কটোৱা সময়খিনি এতিয়া আমাৰ বাবে স্মৃতি হৈ ৰ'ব। দাদাৰ আত্মাই চিৰশান্তি লাভ কৰক। য'তেই আছে,তাতেই কুশলে থাকক। এইয়ে আমাৰ কামনা।

ওঁম শান্তি। ওঁম শান্তি। ওঁম শান্তি
মইনা (সৰু ভাই)ও পৰিয়ালবৰ্গ, গোমোঠা গাঁও, নগাঁও
(আদ্যশ্ৰাদ্ধৰ শ্ৰদ্ধাৰ্ঘ্য)।

# পৰ্যটকৰ বাবে এক আকৰ্ষণস্থলী হিচাপে পৰিচিত কাৰ্বি আংলঙৰ ভেলুঘাট জলপ্ৰপাত



**চন্দন শৰ্মা, তেজপুৰ ঃ** পৰ্যটকৰ বাবে এক আকৰ্ষণস্থলী হিচাপে পৰিচিত কাৰ্বি আংলঙৰ ভেলুঘাট জলপ্ৰপাত। ভেলুঘাট জলপ্ৰপাতৰ সুন্দৰ মনোমোহা পৰিৱেশৰ ভিডিঅ'টি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ছ'চিয়েল মিডিয়াত প্ৰকাশ কৰাও দেখা যায়। 'ভেলুঘাট' শব্দটোৱে কোনো অঞ্চল বা ঠাইক বুজায় যাৰ কাৰ্বি আংলং জিলাৰ সৈতে সম্পৰ্ক আছে। কাৰ্বি আংলং অসমৰ মধ্যভাগত অৱস্থিত এখন পাহাৰীয়া জিলা, যাৰ পূৱে গোলাঘাট, পশ্চিমে পশ্চিম কাৰ্বি আংলং, উত্তৰে নগাঁও আৰু গোলাঘাট আৰু দক্ষিণে ডিমা হাচাও আৰু নাগালেণ্ড অৱস্থিত। 'আংলং' শব্দটোৰ অৰ্থ হৈছে পাহাৰ বা পৰ্বতমালা। সেইকাৰণে 'কাৰ্বি আংলং'ৰ অৰ্থ হৈছে 'কাৰ্বি পাহাৰ'। এই জিলাটোত কাৰ্বি জনগোষ্ঠীৰ লগতে অন্যান্য ২৯টা জনগোষ্ঠীৰ লোকে বাস কৰে। ১৯৫১ চনৰ ১৭ নৱেম্বৰত সংযুক্ত মিকিৰ পাহাৰ জিলাক পৃথক কৰি কাৰ্বি আংলং জিলা গঠন কৰা হৈছিল। জিলাখনৰ প্ৰাকৃতিক সৌন্দৰ্য, নৈ-নিজৰা, জলপ্ৰপাত, বনাঞ্চল আৰু বন্য জীৱনৰ বাবে পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ হ'ল ভেলুঘাট। এই জিলাখন ঘন অৰণ্য আৰু বিস্তৃত সমতলভূমিৰে গঠিত।

জনতাৰ চৰকাৰ | my GOV मेरी सरकार

অসম চৰকাৰ
দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগ



# মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনি



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

শেহতীয়াকৈ স্নাতক উত্তীৰ্ণ
যুৱক-যুৱতীলৈ অসম চৰকাৰৰ উদগনি

এবছৰলৈ মাহিলি
২,৫০০
টকাকৈ সাহায্য

আবেদনৰ অন্তিম তাৰিখ
৩০ নৱেম্বৰ ২০২৫

## উদ্দেশ্য

- চাকৰিৰ সন্ধানৰত শেহতীয়াকৈ স্নাতক উত্তীৰ্ণসকললৈ সাহায্য প্ৰদান কৰা
- প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ উৎসাহিত কৰা
- স্ব-নিয়োজনৰ পথ সুগম কৰা

## অৰ্হতা

- অসমৰ ৰাজ্য/কেন্দ্ৰীয় চৰকাৰৰ শিক্ষানুষ্ঠান অথবা ৰাজহুৱা প্ৰতিষ্ঠানৰ পৰা ২০২৫ বৰ্ষত স্নাতক উত্তীৰ্ণ যুৱক-যুৱতী (মুক্ত বিশ্ববিদ্যালয় আৰু ব্যক্তিগত প্ৰতিষ্ঠানৰ বাহিৰে)
- অসমৰ স্থায়ী বাসিন্দা

হেল্পলাইন: ৮০৯৯৮৯৭২৬৬
ই-মেইল আই ডি: **infochiefministersscheme@gmail.com**
ৱেবছাইট: **dids.assam.gov.in**

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Connect with us @diprassam | dipr.assam.gov.in

Janasanyog RO no 3096/25/21-November-25

# এদিন আপোনাৰ শিশুটোৱেও অসম সাহিত্য সভা বুলি কৈ ভাল পাব ঃ ড° বসন্ত কুমাৰ গোস্বামী

## চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ প্ৰতীকপট সম্বলিত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাই মুহিলে ৰাইজক




**ৰমেন ভৰালী, বংশৰ ঃ** অসম সাহিত্য সভাৰ দৰ্শনক আমি সৰ্বস্তৰলৈ লৈ যাব পৰা যেন আমাৰ অনুভৱ হৈছে। অসম সাহিত্য সভাই সাংস্কৃতিকভাৱে জীয়াই থাকিবলৈ ইচ্ছা কৰে। দুই পুত্ৰৰ সোঁৱৰণত ৰাধাকান্ত সন্দিকৈয়ে নজহা নপমা চন্দ্ৰকান্ত সন্দিকৈ ভৱনটি নিৰ্মাণ কৰাই আমাক গৌৰৱী কৰি তুলিলে। অসম সাহিত্য সভাৰ উদ্যোগত মাজুলী জিলা সাহিত্য সভাৰ সহযোগত মাজুলী জিলাৰ সমূহ শাখা সাহিত্য সভা আৰু মাজুলীবাসীৰ আতিথ্যত যোৱা ১৬ নৱেম্বৰত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ শতবৰ্ষ মহোৎসৱ উপলক্ষে সুৱাগ-তোলা অনুষ্ঠানত সভাপতিত্ব কৰি অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে এইদৰে কয়। ভাষণ প্ৰসংগত তেওঁ লগতে কয় যে- এদিন আপোনাৰ শিশুটোৱেও অসম সাহিত্য সভা বুলি কৈ ভাল পাব, আমি তেনেকুৱা এটা পৰিৱেশ তৈয়াৰ কৰিম। মাজুলীৰ শ্ৰী শ্ৰী গড়মূৰ সত্ৰৰ বংশীগোপাল নাট্য মন্দিৰত দিনজোৰা কাৰ্যসূচীৰে আয়োজন কৰা মুকলি সভাৰ উদ্দেশ্যৰ কথকতা প্ৰসংগত প্ৰধানসম্পাদক দেৱজিৎ বৰাই কয়- দানবীৰ ৰাধাকান্ত সন্দিকৈয়ে দান দিয়া টকা কেইটাৰে শিল বালিৰে চন্দ্ৰকান্ত সন্দিকৈ ভৱনটোৰেই নিৰ্মাণ হোৱা নাই। এই দানৰ টকাৰে অসমীয়া জাতিৰো সমন্বিত ৰূপ অংকণ কৰিবলৈ সক্ষম হৈছে। সেয়ে অসম সাহিত্য সভাই দানবীৰ ৰাধাকান্ত সন্দিকৈৰ এই মহৎ দানক ৰাজহুৱা স্বীকৃতি প্ৰদান কৰিবলৈ প্ৰযত্ন কৰিছে। গুণী ব্যক্তিসকলৰ পদৰেণুৰে ৰঞ্জিত চন্দ্ৰকান্ত সন্দিকৈ ভৱনে শতবৰ্ষ মহোৎসৱৰ প্ৰাকক্ষণত আমাক গৌৰৱী জাতিলৈ ৰূপান্তৰিত কৰি একত্ৰিত কৰি ৰাখিছে। জাতিৰ সমন্বিত ৰূপ অসম সাহিত্য সভা, এই অনুষ্ঠানৰ পতাকাৰ তলত আমি সকলোৱে থিয় হৈ সুৰক্ষিত অনুভৱ কৰো। মাজুলী জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক হৰেণ টকবি, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ সম্পাদক ড° জ্যোতিৰেখা হাজৰিকা, সাংগঠনিক সম্পাদক দুলাল নাথ, প্ৰচাৰ আহ্বায়ক শংকুসিদ্ধ নাথ, পৰিৱেশ্য কলা সংৰক্ষণ আৰু সংবৰ্ধন উপ-সমিতিৰ আহ্বায়ক চৈয়দ মাৰুফ হুছেইন, তথ্য প্ৰযুক্তি উপসমিতিৰ আহ্বায়ক স্বৰ্গজ্যোতি চেতিয়া, কাৰ্যনিৰ্বাহক সদস্যবৃন্দ ক্ৰমে ভূপেন দত্ত, প্ৰভাত বৰা বুঢ়াভকত, মহিম চন্দ্ৰ নাথ, চিত্ৰৰঞ্জন নাথ, ভুৱন চেত্ৰী, তিলক ৰাজখোৱা, চৰাইদেউ জিলা সাহিত্য সভাৰ সভাপতি মুকুট বৰগোহাঁই, সম্পাদক বিপুল বৰুৱা, যোৰহাট জিলা সাহিত্য সভাৰ জিলা প্ৰতিনিধি উত্তম কুমাৰ হাজৰিকা, মাজুলী জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল বৰুৱা, উপসভাপতি খগেন হাজৰিকা, সম্পাদক সঞ্জীৱ বৰা, সহকাৰী সম্পাদক সোণজ্যোতি পামেগাম, অভ্যৰ্থনা সমিতিৰ সম্পাদক কাজল দত্ত, যুটীয়া সম্পাদকদ্বয় মনোজ্যোতি ৰেগন আৰু বিবেক দত্ত প্ৰমুখ্যে অতিথি তথা বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰা সভাখন উদ্বোধন কৰে মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। উদ্বোধকৰ ভাষণত তেওঁ ৰাধাকান্ত সন্দিকৈৰ দানৰ কথা অসমবাসীয়ে পাহৰিব নোৱাৰে বুলি ব্যক্ত কৰে।মাজুলীৰ বিধায়ক তথা অভ্যৰ্থনা সমিতিৰ সভাপতি ভুৱন গামে আদৰণী ভাষণ আগবঢ়োৱা সভাখনত মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰাধ্যাপক নিৰোদ কুমাৰ বৰুৱাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি কয় যে অসম সাহিত্য সভাক সমালোচনা কৰা কামটোৱেই আটাইতকৈ সহজ, কিন্তু কোনেও অসম সাহিত্য সভাৰ অৱদান নুইকৰিব নোৱাৰে। দেউৰী সাহিত্য সভাৰ সভাপতি ড° ষড়ানন দেউৰীয়ে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি কয় যে চন্দ্ৰকান্ত সন্দিকৈ ভৱন কেৱল এটা ঘৰ নহয়, অনুষ্ঠানলৈ পৰ্যবসিত হৈছে। অসম সাহিত্য সভাই বৰককাইৰ ভূমিকাৰে আমাৰ সকলোকে আগবঢ়ায় নিছে। মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নৰেন ঠাকুৰীয়াই বিশিষ্ট অতিথিৰ ভাষণত অসম সাহিত্য সভাই গ্ৰহণ কৰা সাম্প্ৰতিক কাৰ্যসূচীৰ ভূঁয়সী প্ৰশংসা কৰে। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ শতবৰ্ষ মহোৎসৱ উপলক্ষে প্ৰকাশিত স্মাৰক গ্ৰন্থ 'সুৱাগ-সৌৰভ' উন্মোচন কৰি অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱাই সকলোকে অসম সাহিত্য সভাৰ সভ্যপদ গ্ৰহণ কৰি জাতীয় অংশীদাৰিত্ব গ্ৰহণ কৰিবলৈ আহ্বান জনায়। মাজুলী জিলা সাহিত্য সভাৰ সম্পাদক সঞ্জীৱ বৰাই শলাগৰ শৰাই আগবঢ়োৱা সভাখনত বৰগীত, গোমৰাগ নৃত্য, সমৱেত সংগীত পৰিৱেশনৰে অনন্য মাত্ৰা প্ৰদান কৰে। চিৰ চেনেহী মোৰ ভাষা জননী গীতেৰে আৰম্ভ হোৱা সভাখন জাতীয় সংগীত পৰিৱেশনৰে সফল সমাপ্তি ঘটে। ইফালে, পুৱা ৭.৩০ বজাত পৰিৱেশ নিকাকৰণৰ পিছতে ৮ বজাত গছ পুলি ৰোপণ কৰে মাজুলীৰ শ্ৰীশ্ৰী গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী পৰমানন্দদেৱ গোস্বামীয়ে। ৯ বজাত পতাকা উত্তোলন কৰে মাজুলী জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল কুমাৰ বৰুৱাৰ লগতে মাজুলী জিলা সাহিত্য সভাৰ অন্তৰ্গত শাখা সাহিত্য সভাৰ সভাপতিসকলে। ৯.৩০ বজাত স্মৃতি তৰ্পণ কৰে ক্ৰমে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক তথা সুৱাগ-তোলা অনুষ্ঠানৰ অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি ৰাম সাগৰ নাথ আৰু মাজুলী জিলা সাহিত্য সভাৰ উপ-সভাপতি খগেন হাজৰিকাই। উল্লেখ্য যে, পুৱা ১০ বজাত মাজুলীৰ শ্ৰীশ্ৰী চামগুৰি সত্ৰৰ সত্ৰাধিকাৰ পদ্মশ্ৰী ড° হেমচন্দ্ৰ গোস্বামীয়ে উদ্বোধন কৰা কেইবাহাজাৰ সাহিত্য অনুৰক্ত আৰু বহুকেইটা সাংস্কৃতিক দলে অংশগ্ৰহণ কৰা 'অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ প্ৰতীকপট সম্বলিত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাই সকলোকে অভিভূত কৰে। ইয়াৰ পিছতে, সন্ধিয়া ৫ বজাৰ পৰা সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয় আৰু শ্ৰীশ্ৰীকৃষ্ণ ৰাসলীলাৰ বিশেষ দৃশ্যাংশ প্ৰদৰ্শন কৰা হয়।

### সদৌ অসম মহিলা কবি মঞ্চৰ উদ্যোগত

# ঢকুৱাখনাত ড° মামণি ৰয়ছম গোস্বামীৰ স্মৃতি দিৱসৰ আয়োজন

**বিশেষ সংবাদদাতা, শিমলুগুৰি ঃ** অহা ইংৰাজী ২৯ নৱেম্বৰত ঢকুৱাখনা নৰ্মাল স্কুলত সদৌ অসম মহিলা কবি মঞ্চৰ উদ্যোগত আৰু ঢকুৱাখনা শাখা মহিলা কবি মঞ্চৰ আতিথ্যত জ্ঞান পীঠ বঁটা বিজয়িনী ডক্টৰ মামণি ৰয়ছম গোস্বামীৰ স্মৃতি দিৱস আৰু গ্ৰন্থ উন্মোচনী সভাৰ আয়োজন কৰিছে। অসমৰ কেইবাখনো জিলাৰ কাব্য প্ৰাণ মহিলা সকলৰ উদ্যোগত বুদ্ধিদীপ্ত চিন্তা-চেতনাৰে সমৃদ্ধ সৃষ্টিশীল কৰ্মৰ যোগেদি বৌদ্ধিক পৰিৱেশ সৃষ্টি কৰি আহিছে। মুখ্য সম্পাদিকা বিউটি ফুকন গগৈ তথা ঢকুৱাখনা শাখাৰ সভানেত্ৰী আৰু সম্পাদিকা ক্ৰমে লাৱণ্য শইকীয়া বৰুৱা আৰু দিবফুকনে জানিবলৈ দিয়া মতে উক্ত স্মৃতি দিৱসত ৰাজ্যিক সমিতিৰ সহ সম্পাদিকাৰ এখন গ্ৰন্থ উন্মোচন কৰা হ'ব। পুৱা বন্তি প্ৰজ্বলন কৰিব অৱসৰপ্ৰাপ্ত অধ্যক্ষা পদ্মা বৰাই, স্মৃতি তৰ্পণ কৰিব ৰেণু ফুকনে। মুকলি সভাৰ সভাপতিত্ব কৰিব ডক্টৰ স্বাধীনতা মহন্তই। প্ৰতিষ্ঠাপক সভানেত্ৰী ৰেখা ফুকন, ডক্টৰ পূৰবী দুৱৰা, মৌচুমী হাতী বৰুৱা, অমিয় সন্দিকৈ, বিমলা গগৈ, মাণিক চন্দ্ৰ সোণোৱাল আদিয়ে বিভিন্ন দায়িত্বত সহযোগিতা আগবঢ়াব।

# তেজপুৰ বাম পৰ্ব্বতীয়া বাঢ়েচুবুৰী শিলৰ খুঁটা নামঘৰত বাৰ্ষিক ভাগৱত পাঠৰ শুভাৰম্ভ

**চন্দন শৰ্মা, তেজপুৰ ঃ** তেজপুৰ বাম পৰ্ব্বতীয়া বাঢ়েচুবুৰী শিলৰ খুঁটা নামঘৰত শুকুৰবাৰৰ পৰা তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে বাৰ্ষিক ভাগৱত পাঠৰ শুভাৰম্ভ হয়। শুকুৰবাৰে পুৱাই কাৰ্যসূচী মৰ্মে প্ৰথমেই বিশ্বৰ হামিং কিং তথা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত সকলো ভক্তপ্ৰাণ ৰাইজে বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ পিছতেই পৱিত্ৰ ভাগৱত ভাগ শিৰত লৈ গুৰু আসনত মাংগলিক নিয়মৰে স্থাপন কৰি বামপৰ্ব্বতীয়া বাঢ়েচুবুৰী শিলৰ খুঁটা নামঘৰৰ পৰা অঞ্চলটোৰ চাৰিওদিশে প্ৰথমে হস্তীৰ গমণৰ সৈতে সহস্ৰাধিক ভক্তপ্ৰাণ ৰাইজৰ অংশগ্ৰহণত বিশাল শোভাযাত্ৰাৰে অঞ্চলটিৰ প্ৰত্যেকখন ঘৰৰ ৰাইজে মংগলৰ হকে সেৱা লয়। সন্ধ্যা ভক্তপ্ৰাণ ৰাইজে হাজাৰ হাজাৰ বন্তি প্ৰজ্বলনৰে শিলৰ খুঁটা নামঘৰৰ চৌহদ পোহৰাই তোলা দেখা যায়। বাৰ্ষিক ভাগৱত পাঠ অনুষ্ঠানৰ উদ্‌যাপন কমিটিৰ সভাপতি ৰুবুল শইকীয়া, সম্পাদক নিতু শইকীয়া, উন্নয়ন কমিটিৰ সভাপতি জোগেন চন্দ্ৰ শইকীয়া, সম্পাদক দুলাল বৰা, সদস্য নয়ন বৰা, সদস্যা জুনু বৰা, মৰমী ভূঞাৰ লগতে বহুকেইজনে অংশগ্ৰহণ কৰে।

# শিশু দিৱসত স্বৰ্গীয় ধনীৰাম শইকীয়া জাতীয় বিদ্যালয়ত

## হাতেলিখা আলোচনী 'অংকুৰণ' উন্মোচন



**লক্ষ্যজ্যোতি বৰা ঃ** নগাঁও জিলাৰ ডিমৌ চাৰিআলিৰ সমীপৰ উত্তৰ পেটবঢ়াৰ স্বৰ্গীয় ধনীৰাম শইকীয়া জাতীয় বিদ্যালয়ত যোৱা ১৪ নৱেম্বৰ তাৰিখত আগবেলা ১১ বজাৰ পৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে শিশু দিৱস উদ্‌যাপন কৰা হয়। কাৰ্যসূচীৰ আৰম্ভণিতে কবি তথা বনচাই প্ৰকাশনৰ স্বত্বাধিকাৰী মদাৰজ্যোতিয়ে গছপুলি ৰোপণ কৰে। ইয়াৰ পাছতেই বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আনন্দ হাজৰিকাই সভাপতিত্ব কৰা মুকলি সভাত জৱাহৰলাল নেহৰুৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষক দেৱকান্ত শইকীয়াই। তাৰ পাছতেই বিদ্যালয়ৰ শিক্ষক, তত্বাৱধায়ক আৰু ছাত্ৰ-ছাত্ৰীৰ সম্পাদনাত প্ৰকাশিত হাতেলিখা আলোচনী 'অংকুৰণ' চতুৰ্থ বৰ্ষৰ সংখ্যাটি উন্মোচন কৰে দৈনিক অসম কাকতৰ সাংবাদিক তথা নগাঁও প্ৰেছ ক্লাবৰ প্ৰাক্তন সম্পাদক চন্দন জ্যোতি বৰাই। হৰেন্দ্ৰ বৰা, বসন্ত কুমাৰ বৰুৱা, জিতেন চন্দ্ৰ বৰা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলৰ বক্তব্যৰ পাছতেই ছাত্ৰ-ছাত্ৰীসকলৰ অনুষ্ঠান আৰম্ভ হয়। উল্লেখ্য যে বেদান্ত বৰাৰ বিশেষ সহযোগত অনুষ্ঠানটিৰ আঁত ধৰে দীপালি দেৱী শইকীয়াই।

# লুইত সাহিত্য সংস্কৃতি পৰিষদৰ আন্তঃৰাষ্ট্ৰীয় বাঁহী বাদক দীপক শৰ্মালৈ শোক প্ৰস্তাৱ



**চন্দন শৰ্মা, তেজপুৰ ঃ** অসমৰ সুযোগ্য সন্তান, সাংস্কৃতিক জগতখন সুৰৰ মূৰ্চনাৰে সুবাসিত কৰি ৰখা অসমক বিশ্বৰদৰবাৰত চিনাকি কৰাই যোৱা আন্তঃৰাষ্ট্ৰীয় খ্যাতি অৰ্জন কৰি অসমক গৌৰান্বিত কৰা বিশিষ্ট বাঁহী বাদক দীপক শৰ্মাৰ চলিত মাহৰ ৩ নৱেম্বৰ ২০২৫ তাৰিখে ইহলোকৰ পৰা পৰলোকলৈ গমণ কৰে। দীপক শৰ্মা দেৱৰ ওঁঠৰ বাঁহী আৰু দুচকুৰ হাঁহিয়েই যাৰ চিৰ পৰিচিত চিনাকি আছিল। বাঁহীৰ সুৰেৰে সকলোৰে হৃদয় জীনিব পাৰিছিল। আমাৰ প্ৰাণৰ শিল্পীগৰাকীৰ এই অকাল গমণত সমগ্ৰ অসমবাসীৰ লগতে লুইত সাহিত্য সংস্কৃতি পৰিষদত অন্তৰ্ভুক্ত প্ৰতি গৰাকী সদস্য শোকাহত আৰু মৰ্মাহত হৈছে। অসমবাসীৰ এই অপূৰণীয় ক্ষতিৰ কোনো বিকল্প নাই তথাপিও এই কঠোৰ সত্যক আমি মানি লৈ শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনালোঁ। উক্ত শোকসভাত উপস্থিত থাকে লুইত সাহিত্য সংস্কৃতি পৰিষদৰ সভাপতি নৱজিৎ পাটোৱাৰী, প্ৰধান সম্পাদক মণিকা দাস, সম্পাদক খনীন ডেকা, কাৰ্যকৰী সদস্য কাবেৰী দাস, মোমা গুপ্তা সকলোকে লগত লৈ শোকপ্ৰস্তাৱ অনুষ্ঠান এটি ৰক্ষা কৰি শৰ্মা দেৱৰ বাসগৃহত শোক প্ৰস্তাৱভাগ প্ৰদান কৰে।

# কৃষক নেতা ৰঞ্জিত ভট্টাচাৰ্যৰ আলু ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ

## পাকৰকোণা লখিমী কৃষি গোটত ২০০ বিঘা মাটিত ৫০০ কুইন্টল আলু ৰোপণ



**ৰমেন ভৰালী, বংশৰ ঃ** ভাৰতীয় জনতা পাৰ্টীৰ অসম ৰাজ্যিক কৃষক মৰ্চাৰ উদ্যোগত পাকৰকোণা লখিমী গোটৰ সহযোগত যোৱা ১৯ নৱেম্বৰত পাকৰকোণাৰ খেতি পথাৰত আলু ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে ভাৰতীয় জনতা পাৰ্টীৰ অসম ৰাজ্যিক কৃষক মৰ্চাৰ সাধাৰণ সম্পাদক তথা কৃষক নেতা ৰঞ্জিত ভট্টাচাৰ্যই। ভাৰতীয় জনতা পাৰ্টীৰ কৃষক মৰ্চাৰ সাধাৰণ সম্পাদক তথা কৃষক নেতা ৰঞ্জিত ভট্টাচাৰ্যৰ নেতৃত্বত পাকৰকোণাত প্ৰায় ২০০ বিঘা মাটিত প্ৰায় ৫০০ কুইন্টল আলু ৰোপণ কৰাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা বুলি জনাইছে। ইয়াৰ পৰা ৩০০০ হাজাৰ কুইন্টল আলু উৎপাদন কৰাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে বুলি কৃষক নেতা ৰঞ্জিত ভট্টাচাৰ্যই জানিবলৈ দিয়ে। লখিমী কৃষি গোট কৃষকৰ মুখত এতিয়া প্ৰাপ্তিৰ হাঁহি। কৃষক নেতা ৰঞ্জিত ভট্টাচাৰ্যৰ দৰে কৰ্মৰে পৰিচয় দাঙি ধৰা ক্ষুদ্ৰ ক্ষুদ্ৰ সমবায় ভিত্তিত গঠিত কৃষি গোটৰ দ্বাৰা আলু ৰোপণ কৰি উৎপাদিত আলু চিপছ আৰু পাপচী কোম্পানী চুক্তি মৰ্মে ৰপ্তানি কৰা হ'ব বুলি জানিবলৈ দিয়ে। এনেদৰে আলুৰ খেতি কৰি লখিমী কৃষি গোটৰ খেতিয়কৰ আয় বৃদ্ধি কৰা। কৃষি ভিত্তিক উদ্যোগ স্থাপন কৰি প্ৰত্যক্ষ আৰু পৰোক্ষ নিয়োগ সৃষ্টি কৰা বুলি কৃষক নেতা ৰঞ্জিত ভট্টাচাৰ্যই কয়।

# ধান কটা কাৰ্যসূচীৰ শুভাৰম্ভ ঃ ৰঞ্জিত ভট্টাচাৰ্য



**ৰমেন ভৰালী, বংশৰ ঃ** ঘৰলৈ আহিব লখিমী কৃষকৰ ভঁড়াল হ'ব চহকী......। এয়া যে সোণগুটি চপোৱাৰ সময়...। ভাৰতীয় জনতা পাৰ্টিৰ অসম ৰাজ্যিক কৃষক মৰ্চাৰ উদ্যোগত দৰং জিলা ভাৰতীয় জনতা পাৰ্টীৰ কৃষক মৰ্চা সহযোগত যোৱা ১৩ নৱেম্বৰত দৰং জিলাৰ অন্তৰ্গত ছিপাঝাৰ কৃষক মৰ্চাৰ অসম প্ৰদেশৰ ধান কটা কাৰ্যসূচীত শুভাৰম্ভ কৰা হয়। সোণগুটি চপোৱাৰ কাৰ্যসূচীত ছিপাঝাৰ সমষ্টিৰ অন্তৰ্গত বৰমপুৰ পঞ্চায়তৰ পোতা পুখুৰী গাঁৱৰ অসহায় মহিলা গিৰিজা বৰুৱা ডাঙৰীয়াণীৰ ধাননি ডৰাত দাৱনীৰ ৰূপত ভাৰতীয় জনতা পাৰ্টীৰ অসম ৰাজ্যিক কৃষক মৰ্চাৰ সাঃ সম্পাদক তথা কৃষক নেতা ৰঞ্জিত ভট্টাচাৰ্য দেৱৰ নেতৃত্বত দৰং জিলাৰ কৃষক মৰ্চাৰ কৰ্মীসকলে সোণগুটি চপোৱা কামত সহায় কৰে। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মহোদয়ৰ ব্যক্তিগত সহায় তথা কৃষক নেতা ৰঞ্জিত ভট্টাচাৰ্যই নিঃসহায় মহিলা গৰাকীক সহায় কৰি মানৱতাৰ পৰিচয় দাঙি ধৰিলে। অনুষ্ঠানত ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক পৰমানন্দ ৰাজবংশী ডাঙৰীয়া উপস্থিত থাকে।

# বেবেজীয়াত অসম গণ পৰিষদৰ জাতীয় স্বাভিমান দিৱস পালন




**জয়ন্ত মুদৈ, নগাঁও ঃ** 'অসমৰ ৰাইজৰ বুকুত গভীৰভাৱে শিপাই থকা আমাৰ অমৃত কণ্ঠ জুবিন গাৰ্গ আজি আমাৰ মাজত নথকা কথাটো আমি সকলোৱেই মানি ল'বলৈ কষ্ট পাইছো। কিন্তু এই নিদাৰুণ সত্যটোক স্বীকাৰ কৰিবলৈ আমি বাধ্য।'- এই মন্তব্য অসম গণ পৰিষদ দলৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি বিষ্ণু দাসৰ। আচলতে, অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ ওপজা দিনটো অসম গণ পৰিষদ দলে ৰাজ্যজুৰি 'জাতীয় স্বাভিমান দিৱস' হিচাপে উদ্‌যাপন কৰাৰ সমান্তৰালভাৱে ৰহা বিধানসভা সমষ্টিৰ উদ্যোগত আৰু বেবেজীয়া-ডিমৌ-বাংঠাই আঞ্চলিকৰ সহযোগত বেবেজীয়া চাৰিআলিস্থিত প্ৰেৰণা বিবাহ ভৱনত এই দিৱসটি উদ্‌যাপন কৰা হয়। সেই অনুসৰি, অনুষ্ঠিত হোৱা সভাত অগপ দলৰ ৰহা সমষ্টিৰ তত্বাৱধায়ক তথা জ্যেষ্ঠ নেতা বিষ্ণু দাসে ভাষণ প্ৰদান কৰি জুবিন গাৰ্গে নিজৰ প্ৰতিভাৰ স্বাভিমানেৰে আমাৰ সমাজ জীৱন পোহৰাই ঐক্য আৰু সমন্বয়েৰে জাতিটো ঐশ্বৰ্যশালী কৰি গ'ল বুলি লগতে মন্তব্য কৰে। উল্লেখ্য যে, একালৰ আঞ্চলিকতাবাদী দল অসম গণ পৰিষদৰ ভেটিস্বৰূপ বেবেজীয়াত মঙলবাৰ এই সভাত ৰহা সমষ্টিৰ অগপৰ নেতা গৰাকীয়ে প্ৰায় স্তিমিত হৈ পৰা অগপৰ পতাকাখন প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ জন্ম দিন উদ্‌যাপনেৰে মুখৰিত কৰি তোলে। প্ৰায় পাঁচ শতাধিক ৰাইজৰ উপস্থিতিত অনুষ্ঠিত হোৱা সভাখনিৰ আৰম্ভণিতে শিল্পী গৰাকীৰ প্ৰিয় নাহৰ গছৰ পুলি ৰোপণ কাৰ্যসূচীৰে সভাৰ শুভাৰম্ভ হয়। ৰহা বিধান পৰিষদৰ সভাপতি প্ৰণৱ দাসৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাত বিশিষ্ট প্ৰকৃতিপ্ৰেমী প্ৰশান্ত বৰদলৈয়ে নিৰ্দিষ্ট বক্তা হিচাপে যোগদান কৰি জনতাৰ হৃদয়ৰ শিল্পী জুবিন গাৰ্গ এনে এজন শিল্পী আছিল যাৰ কাষলৈ প্ৰকৃতিৰ জীৱ-জন্তু আহিবলৈ ভয় কৰা নাছিল আৰু ভয়-ভীত নকৰাকৈয়ে জুবিন গাৰ্গে জীৱ জগতৰ মৰম বুটলাৰ বিপৰীতে আমি জীৱ-জন্তুৰ কাষ চাপিবলৈ বহু কষ্ট কৰিবলগীয়া হৈছিল বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। নগাঁও আকাশ বাণী কেন্দ্ৰৰ শিল্পী দিব্যাৰাণী হাজৰিকাই পৰিৱেশন কৰা বৰগীতেৰে আৰম্ভ হোৱা সভাখনত শিক্ষক তথা শিল্পী অপূৰ্ব জ্যোতি কাকতি নিৰ্দিষ্ট বক্তা, অগপৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক অতুল মেধি, অগপৰ কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ সদস্য পদ্ম কান্ত গোস্বামীয়েও ভাষণ প্ৰদান কৰে। গাম্ভীৰ্যপূৰ্ণ সভাখনত অগপৰ ভাতৃ সংগঠন কৃষক পৰিষদৰ উপ-সভাপতি কুলেন বৰা, নগাঁও জিলা অগপৰ উপ-সভাপতি বিনোদ বৰুৱা, ৰহা বিধান পৰিষদৰ কাৰ্যকৰী সভাপতি পৱন বৰা, অসম যুৱ পৰিষদৰ ৰহা সমষ্টিৰ সভাপতি অভিজিৎ দাস, প্ৰাক্তন অধ্যক্ষ গোবিন চন্দ্ৰ শৰ্মা, বেবেজীয়া-ডিমৌ-বাংঠাই আঞ্চলিকৰ সভাপতি অৰূপ বেজবৰুৱা, মাধৱপাৰা মণ্ডলৰ সভাপতি আবুল কালাম আজাদ, পাখিমৰীয়া-জামুগুৰি মণ্ডলৰ সভাপতি ভূপেন ভাগৱতী, ৰহা নগৰ সমিতিৰ ৱাৰ্ড সদস্য ভূপেন দাস, ৰহা সমষ্টি কমিটিৰ ধৰ্মীয় সংখ্যালঘু পৰিষদৰ সম্পাদক মহম্মদ জেহিৰুল ইছলাম, অগপৰ জ্যেষ্ঠ নেতা তথা অধিবক্তা দণ্ডধৰ হাজৰিকা, বেবেজীয়াৰ গাঁও প্ৰধান বিতুল কাকতি, যুৱ সংগঠক উৎপল বৰদলৈ, যীতু ৰাজবংশীকে প্ৰমুখ্য কৰি বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাত ৰশ্মিৰেখা হাজৰিকাই গণশিল্পীজনক লৈ ৰচনা কৰা কবিতা আবৃত্তি কৰাৰ লগতে ছাত্ৰী ৰুণিমা শৰ্মাই প্ৰিয় শিল্পীগৰাকীৰ গীত পৰিৱেশন কৰি সকলোকে মন্ত্ৰমুগ্ধ কৰি তোলে। সভাত অগপৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি বিষ্ণু দাসে বেবেজীয়া পণ্ডিত কনক শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ একাংশ ছাত্ৰক আৰু বেবেজীয়া ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ একাংশ ছাত্ৰীক একোখনকৈ গ্ৰন্থ উপহাৰ স্বৰূপে আগবঢ়ায়। ৰহা বিধান সভা সমষ্টি সমিতিৰ সাধাৰণ সম্পাদক বিশ্বজ্যোতি ভূঞাই উদ্দেশ্য ব্যাখ্যা আৰু সাংগঠনিক সম্পাদক পংকজ দাসে আঁত ধৰা জাতীয় স্বাভিমান দিৱসৰ মনোজ্ঞ অনুষ্ঠানটিৰ অন্তত প্ৰিয় শিল্পীজনাৰ চিৰসেউজ কেইবাটিও গীত পৰিৱেশনেৰে পৰিসমাপ্তি ঘটোৱা হয়।

# বৰাগাঁৱত জুবিন গাৰ্গৰ গীতৰ সুৰৰ লহৰত পুতলাৰ নাচ






**গুৱাহাটী ঃ** অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী, চলচ্চিত্ৰ নিৰ্মাতা প্ৰয়াত জুবিন গাৰ্গৰ জন্মদিনটো 'আত্মভ অসম'ৰ উদ্যোগত আৰু শিক্ষাৰ উত্তৰণৰ হকে গঠিত ন্যাস পৰেশ বৈশ্য ফাউণ্ডেচনৰ সহযোগত ১৮ নৱেম্বৰত গুৱাহাটীৰ বৰাগাঁৱত অৱস্থিত বীণাপাণি একাডেমীত উদ্‌যাপন কৰা হয়। অনুষ্ঠানত জুবিন গাৰ্গৰ প্ৰতিকৃতিত শ্ৰদ্ধাঞ্জলি জনাই শিক্ষাবিদ পৰেশ বৈশ্যই জুবিন গাৰ্গৰ জীৱন আৰু কৰ্মৰাজি সম্পৰ্কে এটি বিশেষ বক্তৃতা প্ৰদান কৰে। আৰম্ভণিতে বিদ্যালয়খনৰ অধ্যক্ষ চম্পক কলিতাই অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে। পুতলা নাচৰ যশস্বী শিল্পী গীতিমা দাসৰ দলে পুতলা নাচৰ বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰে। অনুষ্ঠানত জুবিন গাৰ্গৰ গীতৰ সুৰৰ লহৰত পুতলাক নচুৱাই দৰ্শকক মুগ্ধ কৰে। জুবিন গাৰ্গৰ জন্মদিন দিনত পুতলা নাচৰ এই বিশেষ অনুষ্ঠানত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলেও জুবিন গাৰ্গৰ গীত সমস্বৰে গাই জুবিনৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। পুতলা নাচৰ এই অনুষ্ঠানত অভিনেত্ৰী জুনুকা গোস্বামী, প্ৰৱাল গোস্বামী আৰু হিয়া দাসে পুতলা নাচৰ ব্যৱস্থাপনাত সহযোগ কৰে। এই অনুষ্ঠানত বিদ্যালয়খনৰ শিক্ষয়িত্ৰী সবিতা মহন্ত বৰাই জুবিন গাৰ্গৰ জীৱন দৰ্শনত ভিত্তিত ৰচনা কৰা এটি সুন্দৰ কবিতা পাঠ কৰে।

# সফল ব্যক্তিসকল জীৱনৰ প্ৰথম অৱস্থাত সদায় অপমানিত হয়

■ চন্দ্ৰ শেখৰ পৰাজুলী
বিশ্বনাথ চাৰিআলি

ভাৰতৰ 'মিছাইল মানৱ' ৰূপে খ্যাত তথা ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড° এ পি জে আব্দুল কালামে নিজা জীৱন কালত বহুতো মহত্বপূৰ্ণ কথাবোৰ লিপিবদ্ধ কৰি থৈ গৈছে। তাৰে ভিতৰতে তেখেতৰ এক অন্যতম অনুভৱ এটিত প্ৰকাশ কৰিছে যে, 'জীৱনত যিমানেই কষ্ট পাবা সিমানেই অভিজ্ঞতা বাঢ়িব আৰু জীৱনত যিমানেই অভিজ্ঞতা হ'ব সিমানেই শক্তিশালী হৈ উঠিব। অৰ্থাৎ তেখেতৰ এই কথাষাৰ কোৱাৰ তাৎপৰ্য এইটোৱেই যে, জীৱনত শক্তিশালী অৰ্থাৎ সফল হ'বলৈ হ'লে জীৱনৰ পোনপ্ৰথমে বহু কষ্টৰ সন্মুখীন হ'বই লাগিব। কষ্টকৰ জীৱনৰ জৰিয়তে নিজা ব্যক্তিগত অভিজ্ঞতাত বৃদ্ধি হয় আৰু তাৰ পৰৱৰ্তী পৰ্যায়ত এক শক্তিশালী জীৱন গঢ়ি তুলিব পাৰি। যদি এনেকুৱাধৰণৰ চিন্তাধাৰা যদি এজন মহামানৱ হয় তেন্তে আমি অকনমান কষ্টকৰ জীৱন দেখিলেই কিয় সেই ঠাইটোৰ পৰা আঁতৰি আহোঁ বা পলায়ন কৰিবলৈ চেষ্টা কৰোঁ ? আচলতে মোৰ জীৱন অভিজ্ঞতা পৰা যিমানখিনিলৈকে গম পাওঁ প্ৰতিজন সফল ব্যক্তিসকল জীৱনৰ প্ৰথম অৱস্থাত সদায় অপমানিত হয়। আৰু সেই অপমানিত হোৱাৰ প্ৰতিশোধবোৰ সফল ব্যক্তিসকলে হাত, ভৰি, মুখ বা শাৰীৰিক বল প্ৰয়োগৰ জৰিয়তে নহয় নিজ নিজ উচ্চ গুণগত মানদণ্ডৰ কৰ্মৰ জৰিয়তে প্ৰকাশ কৰিছে বা প্ৰকাশ কৰে। গতিকে আপুনি যদি বৰ্তমানে আৰ্থিক ৰূপত, পাৰিবাৰিক বা সামাজিক নাইবা প্ৰেমৰ জৰিয়তে অপমানিত হৈছে তেন্তে নিশ্চিত মনে আপুনি কেৱল নিজে কৰি থকা কৰ্ম বা কৰ্তব্যৰ প্ৰতি নিৰন্তৰ ৰূপত মনোনিৱেশ কৰি যাওক আৰু যেতিয়ালৈকে অন্যান্য সাধাৰণ মানুহৰ তুলনাত আপুনি আগুৱাই যাবলৈ সক্ষম নহয় তেতিয়ালৈকে কেৱল ধৈৰ্য্য সহকাৰে একেটা কৰ্মৰ লগতে লাগি থাকক আৰু যেতিয়াই আপুনি নেৰানেপেৰাকৈ লাগি থকা কৰ্মৰ জৰিয়তে এদিন সফলতাৰ হাঁহি মাৰিব ঠিক তেতিয়া আপোনাক অতীততে অপমানিত কৰিবলৈ ওলাই অহা লোকসকলে আপোনাক প্ৰথমে আহি আলিংগন কৰিবলৈ আগবাঢ়ি আহিব। গতিকে বৰ্তমানে আপুনি অপমানিত হৈছে তেন্তে আপুনি একেবাৰে চিন্তা নকৰিব। কাৰণ তাৰ প্ৰত্যুত্তৰ আপুনি মুখেৰে নাইবা শাৰীৰিক বল প্ৰয়োগৰ দিয়াৰ পৰিৱৰ্তে আপুনি নিজা সৎ কৰ্মবোৰৰ জৰিয়তে দিবলৈ সদায় যত্ন কৰক। আৰু নিজকে এদিন ইমানেই ওপৰলৈ উঠাই তুলিব যাতে সিহঁতে লাজতে আপোনাৰ ওচৰ চাপিবলৈ সাহস গোটাব নোৱাৰে। 'সফলতা' শব্দটো উচ্চাৰণ কৰিবলৈ যিমান সহজ। ইয়াক অৰ্জন কৰিবলৈ সিমানেই জটিল সংগ্ৰামৰ সন্মুখীন হ'ব লাগে। জগতৰ জৰিয়তে অপমানিত হোৱাটো প্ৰতিজন সফল মানুহৰ জীৱনৰ এক অংশ বিশেষ।

**ম'বাইল ঃ** ৯৭০৭৩-০৬৪৭৪

## অনন্য

(জুবিন দাৰ স্মৃতিত)

**জ্যোতিস্মিতা বৰা**

তুমি বোলে সাগৰৰ বাবে এটি গান লিখিছা।
সাগৰৰ বুকুত গান এটি ৰুবৰ বাবেই
তুমি গুচি গ'লা বহু দূৰ...
এটা সুৰ শেষ হোৱাৰ পিছত
আধামৰা উশাহত
তুমি উভতি যোৱাৰ কবিতা লিখি
এন্ধাৰৰ জোনাক হ'ব বিচাৰিলা,
তাকো আমাক নোকোৱাকৈ।
পাহাৰৰ সীমনাত তোমাৰ বাবে যতনাই থোৱা
শেতেলিৰ উচুপনিটো তুমি সাৰ নাপালা,
মাথোঁ সাগৰতে শুলা, সাগৰতেই
নৈৰ পৰা যে সাগৰ হয় গৈ পাহৰিলা।
বিভাৱৰী ৰাতি বোৰ আকাশবিহীনভাৱে
কাৰ বাবে সজালা।
নিস্তব্ধ সন্ধ্যা কত পথভ্ৰষ্ট বাটৰুৱাক
যতনেৰে উমলালা তোমাৰ উদাৰ পৃথিৱীত,
আৰু যে কত কি।
সোঁৱৰণী নহয় তুমি
নহয় সামৰণি
তুমি সোঁৱৰাই দিয়া মানৱক
জাগি উঠিবলৈ
এই পৃথিৱীক এটি উশাহ লাগে।
বিলাই দিয়া তুমি
বজ্ৰাঘাতৰ কঠোৰ আঘাত পোৱা মানুহক
এটি পৰাণৰ গীত,
যি গীতৰ সুৰত উচুপে বৈতৰণীৰ সিপাৰে
অলেখ তৰায়ে।

**ম'বাইল ঃ ৮৪৭৪৮-৯৪৫৩৬**



## মুকুতা

**প্ৰয়াগ শইকীয়া**

মুকুতা মুকুতা তোমাৰ মন
কবিতা কবিতা
তোমাৰ জীৱন
বুকুত তোমাৰ মন বীণাৰে অনুৰণন

ফুল নিচিঙিবা
বিৰিখৰ কেতেকীক
বিনাব নিদিবা
অকালতে পৰিব
দুখৰে ক্ষণ

মুকুতা মুকুতা তোমাৰ মন
কবিতা কবিতা
তোমাৰ জীৱন

লুণীয়া চকুলোৰে ক'লে তুমি আছিলা
লুনীয়া সাগৰৰে ধন।

## বিভ্ৰাত

**ৰাজেন শৰ্মা**, মনাহকুছি

হাত দুখন দাঙি দিয়া
ঢুকি পাবা দুৰ্নীতিৰ স্বৰ্গ
জনগণৰ ৰক্ত কণিকা;
চকু দুটা নমাই দিয়া
মূল্যবোধ-সুচিন্তা পাবা
মাটিৰ তলত।
ওপৰত তপত শিল-বালি
ভৰি দেই যায়
পুষ্টিৰ দুগ্ধ
মৰুৰ কেকটাচ
মহানতা আৰু মানৱতা ধোৱাচাঙত।

**ম'বাইল ঃ ৯৬৭৮৯-১০৯২১**

## এখন হৃদয়

**হিয়া শৰ্মা**
মংগলদৈ

মই মোক হেৰুৱাইছো
ভাল লগা নে ভালপোৱাৰ ভৰত
উহো মই নাজানো।
কিন্তু মই মোক হেৰুৱাইছো
বুকুত বান্ধিম নো কি?
হালধীয়াৰ আৱেশ
নে মন পৰশা সুৰুযৰ জেউতি
নাজানো।
হৃদয় বাগৰিছে,
নে বুকুৰে বুকুৰে শিপাইছে
কিজানি বা মম গলাদি গলিছে?
উহো মই নাজানো।
মাত্ৰ হৃদয়খনৰ উত্তাপ বাঢ়িছে,
নজনাকৈ, নেদেখাকৈ।

## সাম্প্ৰতিক

**ৰাখী কাশ্যপ**

অন্ধকাৰে আবৰা এই মফচলীয়া
ঘৰটোত আপুনি মোক লগ পাব খোজে
জানিব খোজে কথা পাতিব বিচাৰে
কিন্তু কিয় কিবা প্ৰয়োজন
আপুনি আপোনাৰ তথাকথিত
ভাষণ তথা যুক্তিৰ যুদ্ধ সামৰি
নিজৰ কৰ্মত মনোনিবেশ কৰক
এয়াই আপোনাৰ কৰ্তব্য
মই মানুহ বিচাৰি হাবাথুৰি খায় ফুৰিছো
অজান দেশত অসুৰৰ মাজত মই
মানুহৰ সন্ধানত ঘূৰি ফুৰিছো
যেনিয়েই যাওঁ তেনিয়েই দেখো
ৰক্তপিপাসু অসুৰৰ দল
পীয়াপি দি ফুৰে অন্ধকাৰ ৰাজপথত
ক'ত হেৰাল মানুহবোৰ
চাৰিওফালে ৰজাঘৰৰ
উচ্ছিষ্ট চেলেকা এজাক কুকুৰ
দহ টকাত বিক্ৰী হোৱা এজাক
মানুহক জানো মানুহ বুলিব পাৰি
হায়। মানৱতা হায় মানৱ সমাজ
কোন সতে শ্ৰেষ্ঠ বুলি কওঁ তোৰ
এই অহংকাৰী সত্তাক
ধিক্কাৰ।

## সুধাকণ্ঠ অসম সন্তান

**(প্ৰয়াত ড° ভূপেন হাজৰিকাৰ স্মৃতিত)**

**টোলন তন্থা,**
চিকনি বৰহোলা, নগাঁও

হে সুধাকণ্ঠ
হে ভাৰত ৰত্ন
হে চিৰ গৌৰৱ অসম সন্তান
তোমাৰ অমূল্য সৃষ্টিৰে
ৰাখিলা তুমি বিশ্বব্যাপী
দেশ আৰু জাতিৰ মান
তুমি সদায়েই মহান
তুমি সদায়েই মহান
তুমিয়ে সোণৰ অসমৰ আচল সন্তান
তোমাৰ গানত আছে
মানৱতাৰ প্ৰাণ
আছে অতীত বৰ্তমান আৰু ভৱিষ্যতৰ সোপান
এতিয়াও ৰিনিকি ৰিনিকি বাজে
লুইতৰ দুয়ো পাৰে
উজনিৰ পৰা নামনিলে
তোমাৰ গীত আৰু সুৰৰ ঝংকাৰ
তুমিয়ে অসমৰ অমূল্য অলংকাৰ
হে অসম সন্তান
তোমাৰ ব্যক্তিত্বই মহান
তুমিয়ে অসম আৰু অসমীয়াৰ স্বাভিমান
জনমে জনমে হওক তোমাৰ জয়গান
তোমাৰ চৰণত শত সহস্ৰ প্ৰণাম
তোমাৰ চৰণত কোটি কোটি প্ৰণাম।

**ম'বাইল ঃ ৮৪৮৬০-৬৮৩৯০**

## চঞ্চলা শব্দবোৰ

**মেৰী বৰদলৈ**
নগাঁও, ফুলগুৰি

কথা এটি কওঁ শুনা...
তোমাৰ কবিতাত
ফুলি থাকিব দিয়া
যৌৱনৰ চঞ্চলা হাচনাহানা
ফুলি থাকিব দিয়া
মাধৈমালতী অপৰাজিতা
আৰু.... আৰু
জিলিকি থাকিব দিয়া
ৰূপোৱালী জকমকীয়া
সৰগীয় পাৰিজাত...।
কথা এটি কওঁ শুনা...
তোমাৰ লিহিৰি আঙুলিৰ ফাঁকত
ওলমি থকা
চঞ্চলা শব্দবোৰৰ
আজন্মপ্ৰেমিক মই
পিছে তুমি...
তুমি মোৰ দুটি ওঁঠত
তিৰবিৰাই থকা
এভমকা মৰমলগা অভিমান...।
শুনাচোন কথা এটি কওঁ..
কবিতাবোৰ কবিতা হৈ
থাকিবলৈ দিয়া
তাত ৰহণসনাৰ
প্ৰয়োজনেই বা কি..
তুমি হয়তো নাজানাই কিজানি
তোমাৰ আৱেগ ভৰা সপোনৰ
কবিতাত সৰে
সৰগৰ এটি এটি
সোণসেৰীয়া মুকুতা
হৃদয় কপোঁৱা...।



## নিষ্ঠুৰ সময়

**মনোৰঞ্জন বৰা**
গোলাঘাট, দেৰগাঁও

আহিবা নে আকৌ ঘূৰি তুমি
সময় ও যেন নিষ্ঠুৰ হৈ পৰিছে আজি,
সেই অতীত স্মৃতিৰ কত কাহিনী
আজি যেন হেৰাই যোৱা এটি হাঁহি।
শব্দৰে খেলিব নোৱাৰাকৈ
মৌনতাই চুই যাব নোৱাৰাকৈ
আমি আজি নিস্তব্ধ নিমাত
কেনেকৈ বুজাম মই তোমাক
তুমি বিহীন জীৱন ধপাত।
বাঁহীৰ সুৰৰ দৰেই
তোমাৰ মিঠা মাত
শুনাবলৈ নাই আজি তুমি এই ধৰাত,
আহিবা নে আকৌ ঘূৰি তুমি
তুমি ও যেন নিষ্ঠুৰ হৈ পৰিছা আজি
কিয়?
কিয় আজি অকলশৰীয়া আমি।
সকলো থাকিও যেন নিমাত ৰাতি
আহিবা নে আকৌ এবাৰ ঘূৰি তুমি
সময় ও যেন নিষ্ঠুৰ হৈ পৰে আজি,
আহিবাচোন কোনোবা দিনা
ফেঁচাৰ মংগল উৰুলিত
গাই যাবা মায়াবিনী ৰাতিৰ বুকুত।
শুনিম আমি আকৌ আগৰ দৰেই
শুনিব অসমে, শুনিব ভাৰতে
দেখিব বিশ্বৰলোকে,
গাই যাব জগতে লগে ভাগে।
তুমি আহিবা মাথোঁ আকৌ ঘূৰি
কান্দিব অসমীয়াই আকৌ নহ'বা
হিয়াৰ আমঠু জুবিন দা বুলি।
আহিবা নে আকৌ ঘূৰি তুমি
সময় ও যেন নিষ্ঠুৰ হৈ পৰিছে আজি।

**ম'বাইল ঃ ৮০৯৯৬-১৭৬২৯**

## ফাগুন

**বলিন বৰদলৈ**
আলামি, গোলাঘাট

মাজনিশাৰ নিস্তব্ধতা ভেদি
কোনে বজাই সপোনৰ পুৰাতন সুৰে বাঁহী
ফাগুনৰ পচোৱাই হিয়া মন উৰুৱাই
উৰুৱাই যোড়শীৰ মেঘালী চুলি
কমোৱা তুলা হৈ উৰে মন
মাতাল হৈ উদং কৰে বুকু
যৌৱনা আঁচল খহাই।
ক্ৰমশঃ বাঢ়িছে বুকুৰ নিসংগতা,
ঔদাসীন্যতা, দৈন্যতা
কাৰ বুকুৰ আঁচল খহাই তুমি উন্মনা
কাৰ বুকুৰ বাসন্তী জোৱাৰত
নিজকে মাতাল অনুভৱ কৰা
তেজীৰঙা পলাশ, মদাৰৰ ৰঙেৰে ৰাঙলী
উদাসীন বিহংগম মন, হৃদয়
কাৰ বুকুৰ আঁচল খহাই তুমি উন্মনা ...
কি সুৰে বজোৱা উৰুঙা হৃদয় প্ৰেমৰ বাঁহী
ক'বানে বাৰু সঁচাই তুমি?

**ম'বাইল ঃ ৯৪০১৮-৭৬৭২৮**

## জীৱনৰ অন্তিম শয়নত

**ভাস্কৰ প্ৰিয়ম হাজৰিকা**
কৰচুং সত্ৰ

লোভ আৰু মোহে মোক আগুৰি ধৰিছিল,
মই হেৰাই গৈছিলোঁ...
বিশৃঙ্খলতাৰ ঘূৰ্ণিবতাহজাকৰ মাজত।
মানুহ হোৱাৰ সাৰ্থকতা হেৰুৱাই পেলাইছিলোঁ,
মই সিক্ত কৰিছিলোঁ জীৱনটোক ৰত্নাকৰৰ অভিমানত।
এয়া মৃত্যুৰ অন্তিম শয়নত,
অশ্ৰুধাৰাৰ মাজত নিজ মুখেই স্বীকাৰ কৰিছোঁ।
উশাহবোৰে অহৰহ হেঁচি ধৰিছে,
যেন বিষপান কৰা মোৰ দেহৰ এয়া অন্তিম ক্ষণ।
শুনিছো জীৱনৰ অন্তিম শয়নত
মানুহবোৰ শুদ্ধ আৰু কোমল হয়।
কিবা জানো লাভ আছে?
লোভৰ পিছত মাৰাথন দৌৰি দৌৰি,
হেৰুৱাই দিলোঁ সোণোৱালী জীৱনৰ মাদকতা।
মৃত্যুৰ শয়নখনৰ লগত কি লৈ যাম?
সকলো শূন্য
সকলো নীৰৱ
সকলো অহংকাৰ
এইয়াই শান্তি।
মই মানুহ হোৱা হয় মৃত্যুৰ শয্যাত
হাঁহি হাঁহি ক'লো হয়...
"এই জীৱন বৰ অনুপম।"
মোৰ উশাহবোৰ কোমল হ'ল হয়
হাজাৰজনে গালে হয় প্ৰয়াণৰ গান।
এতিয়া মাথোঁ ক'ব এজন বেয়া মানুহৰ
মৃত্যু হ'ল অলপমান ঠাই পৱিত্ৰ হ'ল।
মৃত্যু পথত লিখা আছে
ধন-সম্পত্তিবোৰ জাঁহ গ'ল
মানৱতাবোৰ অমৰ হৈ ৰ'ল।

**ম'বাইল ঃ ৯৩৬৫৭-৫৯৬২৯**

## বহু দিন লেছেৰি বুটলা নাই

**দীপ্তি মণি গোস্বামী**
লখিমপুৰ

বহু দিন বুটলা নাই শব্দৰ লেছেৰি,
সেই বিৰহত....
অনুতাপত দগ্ধ হৈ পৰা নাই ভাগৰি।
ককাদেউতাৰ দিনৰে মকাল বাঁহৰ ভঁৰালত
ধৰিছে ঘুণে, খুলি খুলি খাইছে উঁই পোকে।
ৰোধিব কোনে সেই দুষ্ট কীটক
আবিৰ্ভাৱ হ'ব নে ......
এক অপৰাজেয় উত্তম শক্তি?
তেতিয়া আকৌ পথাৰলৈ দৌৰিম
উদং বুকুৰ পৰা লেছেৰি আনিম
শব্দৰ ভৰেৰে বেদী উপচাম।

**ম'বাইল ঃ ৬০০১৫-৭৪৫০৭**

প্ৰথম পৃষ্ঠাৰ পৰা

## বৃন্দাবনী বস্ত্ৰখন অসমলৈ অহাটো পূৰ্ব পুৰুষ নিজ গৃহলৈ অহাৰ দৰে অনুভৱ হ'ব ঃ মুখ্যমন্ত্ৰী

ক্ৰিয়া-কলাপৰ জৰিয়তে শাক্ত আৰু শৈৱ পৰম্পৰা, থলুৱা বিশ্বাসে ইজনে সিজনক সমৃদ্ধ কৰিছে। তেওঁ কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নৱবৈষ্ণৱ আন্দোলনেৰে অনৈক্যৰ মাজত ঐক্যৰ সাঁকো গঢ়ি এখন বৰ অসম গঢ়ি তুলিছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ কেৱল এগৰাকী আধ্যাত্মিক গুৰুৱেই নাছিল, তেওঁ আছিল এগৰাকী কবি, নাট্যকাৰ, সংগীতজ্ঞ, সমাজ সংস্কাৰক আৰু সমাজ নিৰ্মাণৰ খনিকৰ। মুখ্যমন্ত্ৰীয়ে কয় যে বৃন্দাবনী বস্ত্ৰখন হৈছে যোড়শ শতিকাৰ অসমৰ বয়ন শিল্পৰ এক কীৰ্তিস্বৰূপ। বৃন্দাবনী বস্ত্ৰখন মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আধ্যাত্মিক ক্ষেত্ৰখনৰ এক আপুৰুগীয়া সৃষ্টি। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আধ্যাত্মিক মাৰ্গদৰ্শন আৰু তেওঁৰ শিষ্য মহাপুৰুষ মাধৱদেৱৰ নিৰ্দেশনাত মথুৰাদাস বুঢ়া আতাৰ নেতৃত্বত এটি নিপুন বয়ন শিল্পীৰ দলে বৃন্দাবনী বস্ত্ৰখন প্ৰস্তুত কৰিছিল। তেওঁলোকে অত্যাধুনিক বয়ন কৌশলেৰে বৃন্দাবনত ভগৱান শ্ৰীকৃষ্ণৰ লীলা চিত্ৰিত কৰি এই বস্ত্ৰখন প্ৰস্তুত কৰিছিল। তেওঁ কয় যে ব্ৰিটিছ সংগ্ৰহালয়ৰ তত্বাৱধানত থকা এই বস্ত্ৰখনৰ অংশটো একাধিক ৰেচমৰ পেনেলৰ পৰা একত্ৰিত কৰা হৈছে। ইয়াৰ দৈৰ্ঘ্য প্ৰায় ৯.৪ মিটাৰ আৰু প্ৰস্থ ২.৩ মিটাৰতকৈ অধিক। এই বস্ত্ৰখন কেৱল ভক্তিৰ প্ৰতিফলনেই নহয়, সেই সময়ত অসমীয়া বয়ন শিল্পীৰ অসাধাৰণ কাৰিকৰী আৰু কলাত্মক কৌশলৰো ই সাক্ষ্য বহন কৰিছে। তেওঁ কয় যে আজি আনুষ্ঠানিকভাৱে গঢ়ি উঠা অংশীদাৰীত্বৰ জৰিয়তে এই অমূল্য সম্পদৰাজিয়ে এক নতুন যাত্ৰা আৰম্ভ কৰিব। যিখন দেশত বিশ্বাস আৰু কল্পনাৰে ইয়াক প্ৰথম সৃষ্টি কৰা হৈছিল সেই ভূমিলৈ বৃন্দাবনী বস্ত্ৰখনৰ উভতনি যাত্ৰাৰ পথ সুগম হৈ উঠিছে। তেওঁ কয় যে অসমবাসীৰ বাবে বৃন্দাবনী বস্ত্ৰখন কেৱল কাঁচৰ আঁৰত সংৰক্ষিত এখন পুৰণি বস্ত্ৰ নহয়। ই অসমৰ সামুহিক স্মৃতিৰ অংশ। প্ৰজন্মৰ পিছত প্ৰজন্মই ইয়াৰ বিষয়ে কীৰ্তনত গাইছে, সন্তানক ইয়াৰ বিষয়ে শিকাইছে, ইয়াৰ কাহিনীবোৰ কেতিয়াও নেদেখিলেও হৃদয়ত কঢ়িয়াই লৈ ফুৰিছে। এই বস্ত্ৰখনে অসমৰ আধ্যাত্মিক শিল্পৰ উচ্চমাত্ৰা আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শক প্ৰতিনিধিত্ব কৰে। অসমৰ সমাজ ব্যৱস্থাৰ বিশ্বাস আৰু কাৰিকৰী শিল্পৰ মাজত থকা সম্পৃক্ততাকো ই সূচায় বুলি তেওঁ কয়। বৃন্দাবনী বস্ত্ৰখন অসমলৈ অহাটো পূৰ্ব পুৰুষ নিজ গৃহলৈ অহাৰ দৰে অনুভৱ হ'ব বুলি তেওঁ মন্তব্য কৰে। এই গুৰুত্বপূৰ্ণ সন্ধিক্ষণত মাৰ্গ দৰ্শন আৰু সহযোগিতা আগবঢ়োৱাৰ বাবে মুখ্যমন্ত্ৰীয়ে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰে। ৰাজ্যবাসীৰ আকাংক্ষাক কাৰ্যকৰী কৰাৰ বাবে বৈদেশিক পৰিক্ৰমা দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী ড° এছ জয়শংকৰলৈও মুখ্যমন্ত্ৰীয়ে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে গুৱাহাটীত অত্যাধুনিক বৃন্দাবনী বস্ত্ৰ সংগ্ৰহালয় স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইতিমধ্যে ৰাজ্যিক কেবিনেটে ইয়াৰ বাবে ভূমি আবণ্টন দিছে আৰু বিশেষ গেলেৰী, নিৰাপদ সংৰক্ষণ, দৰ্শনাৰ্থীৰ সুবিধা আৰু লেণ্ডস্কেপিঙেৰে চৌপাশে অত্যাধুনিক সুবিধা গঢ়ি তোলাৰ বাবে পৰিকল্পনা প্ৰস্তুত কৰিছে। এই অনুষ্ঠানত যুক্তৰাজ্যত নিযুক্ত ভাৰতৰ উচ্চায়ুক্ত বিক্ৰম ড'ৰাইস্বামী, ব্ৰিটিছ সংগ্ৰহালয়ৰ অধ্যক্ষ জৰ্জ অছবৰ্ণ, ব্ৰিটিছ সংগ্ৰহালয়ৰ সঞ্চালক ড° নিকোলাছ কুলিনান, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব ড° কে কে দ্বিৱেদী প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

## ওপজা দিনত শিল্পী জুবিন গাৰ্গলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে ৰক্তদান কৰিলে

শ্বাহক ধন্যবাদ জনাই কয় যে কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে জুবিনৰ ছিংগাপুৰত হোৱা মৃত্যুৰ সৈতে জড়িত অভিযুক্তৰ বিৰুদ্ধে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ২০৮ নং ধাৰাৰ অধীনত আগবাঢ়িবলৈ প্ৰয়োজনীয় অনুমোদন প্ৰদান কৰিছে। মন কৰিবলগীয়া যে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ২০৮ নং ধাৰাৰ মতে যদিহে ভাৰতৰ বাহিৰত কোনো অপৰাধ সংঘটিত হয়, তেন্তে কেন্দ্ৰীয় চৰকাৰে পূৰ্বে অনুমোদন জনোৱাৰ পাছতহে গোচৰটো আদালতে গ্ৰহণ কৰিব পাৰে। তেওঁ কয় যে জুবিন গাৰ্গৰ ওপজা দিনত এই অনুমোদন এক গুৰুত্বপূৰ্ণ আইনী পদক্ষেপ, যি তদন্তকাৰী গোটক চাৰ্জশ্বিট দাখিল কৰাত আৰু গোচৰটোৰ বিচাৰৰ বাবে দৃঢ়তাৰে আৰু আইনসন্মতভাৱে আগবাঢ়ি যোৱাত যথেষ্ট সহায় কৰিব। এই ৰক্তদান শিবিৰসমূহ সুচাৰুৰূপে আয়োজনত সহযোগিতা আগবঢ়োৱাৰ বাবে মুখ্যমন্ত্ৰীয়ে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ লগতে সংশ্লিষ্ট সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ লগতে দৃঢ়তাৰে কয় যে অহা ১০ ডিচেম্বৰৰ ভিতৰত অভিযুক্ত ব্যক্তিসকলৰ বিৰুদ্ধে চাৰ্জশ্বিট দাখিল কৰা হ'ব।

## উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত শিল্পী জুবিন গাৰ্গৰ জন্মদিন উদ্‌যাপন

অনুপম ঠাকুৰীয়া, শৈক্ষিক সমন্বয়ক প্ৰদীপ কুমাৰ কলিতা, অধ্যাপিকা শিখাৰানী কাকতিয়ে বক্তৃতা প্ৰদান কৰে। সকলোৱে জুবিনৰ আদৰ্শক মনত ৰাখি জীৱন বাটত আগবাঢ়ি যোৱাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। অনুষ্ঠানত জুবিনৰ ওপৰত ৰচিত স্বৰচিত কবিতা পাঠ কৰে মহাবিদ্যালয়ৰ অধ্যাপিকা ড.বনিমা তালুকদাৰ, মহাবিদ্যালয়ৰ ছাত্ৰী ডিম্পি দাস আৰু মৌমিতা শৰ্মাই। এই অনুষ্ঠানত জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰে ক্ৰমে অধ্যাপক নেপুৰ ৰঞ্জন হাজৰিকা, বাস্তৱ বৰুৱা আৰু মফিদুৰ ৰহমানে। অনুষ্ঠানত মহাবিদ্যালয়ৰ ছাত্ৰ মোহন শৰ্মাই সৰুৰে পৰা জুবিনৰ গীত শুনি ডাঙৰ হোৱা বুলি তেওঁৰ ভাষণত উল্লেখ কৰে। অনুষ্ঠানটোৰ আঁত ধৰে মহাবিদ্যালয়ৰ ছাত্ৰ উদ্ধৱ কলিতাই। অনুষ্ঠানৰ শেষত ছাত্ৰ ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী সমন্বিতে জুবিনৰ বিখ্যাত সৃষ্টি 'মায়াবিনী মধুৰ ৰাতি' সমবেতভাৱে পৰিৱেশন কৰা হয়। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় মহাবিদ্যালয়ৰ ছাত্ৰ শিৱাশীষ বায়নে।

## এতিয়াও অসমীয়াৰ মাজত আছে

আনি সেইবোৰ এটা নিৰ্দিষ্ট জোখত চিৰিলা-চিৰিলকৈ ফালি কাতিমহীয়া টিকটিকীয়া ৰ'দত শুকাবলৈ নিজৰ চোতালত নতুবা আন কোনো মুকলি ঠাইত মেলি দিয়ে। এইদৰে কেইদিনমান ৰ'দত ভালদৰে শুকুৱাৰ পিছত খৰখৰীয়া হ'লে এই মধুনা বা বৌখাবোৰ জুইত পুৰি লোৱা হয় আৰু এইবোৰ পুৰাৰ পিছত যিখিনি ছাই ওলায় তাৰ পৰাই প্ৰস্তুত কৰা হয় অসমীয়াৰ কলাখাৰ। প্ৰসংগক্ৰমে কোৱাটো সমীচিন যে, গোটেই বছৰটোৰ কাৰণে সাঁচি ৰখা এই খাৰ আকৌ কাতি মাহৰ কৃষ্ণপক্ষতহে উৎপাদন কৰা হয় যদিও বৰ্তমানে বহুতেই শুক্লপক্ষটো উৎপাদন কৰা পৰিলক্ষিত হৈছে। অসমীয়াৰ বিশ্বাস যে শুক্লপক্ষতকৈ কৃষ্ণপক্ষত উৎপাদিত কলাখাৰহে উৎকৃষ্ট। ইফালে, এনেদৰে প্ৰস্তুত কৰা কলাখাৰ মাহেকে-পযেকে গঞ্জৰাইজে মাটি দাইল নতুবা অন্য শাক-আঞ্জা আদিত সামান্য পৰিমাণে মহলি কৰি পৰিৱেশন কৰে। প্ৰণিধানযোগ্য যে, অসমীয়া নৱ-প্ৰজন্মৰ বাবে 'খাৰ খোৱা অসমীয়া' এক বদনামী অভিধা হ'লেও পুৰণিকালত কলগছৰ মধুনা বা বৌখাৰ পৰা খাৰ উৎপাদন কৰাটো এক স্বাস্থ্যসন্মত প্ৰক্ৰিয়া বুলি অভিহিত হৈ আহিছে। বজাৰৰ কৃত্ৰিম খাৰৰ তুলনাত অসমীয়াৰ কলাখাৰৰ জনপ্ৰিয়তা অতীজতে যেনেদৰে আছিল এতিয়াও সেয়াও কিন্তু আজিৰ তাৰিখত হ্ৰাস পোৱা নাই। আনকি বিদেশলৈকো কলাখাৰ নি ইয়াৰ জুতি লোৱা কাৰ্য অসমীয়াৰ বাবে গৌৰৱৰ বিষয় হিচাপে চিহ্নিত হৈছে।

## ৰোহনৰ জীৱনৰ প্ৰথম পৰীক্ষা

■ **নিখিল কলিতা,** গুৱালকুছি

**এ**খন চহৰত এজন শিক্ষক আছিল। শিক্ষকজনৰ নাম আছিল গজেন। গজেন এজন চৰকাৰী বিদ্যালয়ৰ গণিতৰ শিক্ষক। তেওঁ বিদ্যালয়খনৰ কৰ্মৰত। এনেকৈ তেওঁ নিজৰ পৰিয়ালৰ লগত জীৱন-যাপন কৰি আহিছে। গজেনৰ দুটা পুত্ৰ। প্ৰথম পুত্ৰটো নাম আছিল প্ৰীতম আৰু দ্বিতীয় পুত্ৰ নাম আছিল ৰোহন। প্ৰীতমে এম. এ (মাষ্টাৰ ডিগ্ৰী) সুখ্যাতিৰে উত্তীৰ্ণ হৈ চৰকাৰী কামত নিয়োজিত হয়। ৰোহনে এইবাৰ মেট্ৰিক পৰীক্ষা দিব। ছাত্ৰ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ পৰীক্ষাত তেওঁ অৱতীৰ্ণ হ'ব। ৰোহনে এই পৰীক্ষা বাবে পঢ়ি আছে কিন্তু সি ভয় খাই আছে পৰীক্ষা কেনে হ'ব, ফলাফল কেনেকুৱা হ'ব, পাছ কৰিব পাৰিম নে আটাইবোৰ চিন্তা- ভাৱনাৰে তেওঁক হতাশ কৰিছে। তেওঁ নিজৰ মাকক কৈছে- মা, মই মেট্ৰিক পৰীক্ষা দিব নোৱাৰিম। মোৰ ভয় লাগি আছে মোৰ পৰীক্ষা কেনে হ'ব? তেতিয়া মাকে চিন্তা পৰিল, তেওঁ নিজৰ পুত্ৰৰ কথাটো কেনেদৰে সমাধান কৰে। তেতিয়া মাকে সকলো কথা ৰোহনৰ দেউতাকক জনালে। দেউতাকে সকলো বুজি ৰোহনক মাতি আনি ক'লে- বোপাই, ভয় খাব লগা একো নাই, ভয়ে মানুহক দুৰ্বল কৰায় আৰু সেই কাৰণে মানুহে হতাশাত ভোগে। পৰীক্ষা আহিলেই ভয় খাব নালাগে, কিয়নো পৰীক্ষা আহিব আৰু যাব। অকল এইটো মেট্ৰিক পৰীক্ষা বুলি নহয়, জীৱনত বহুতো প্ৰতিযোগিতামূলক পৰীক্ষা আছে সেইকাৰণে সকলো ভেদ কৰি আগবাঢ়ি যাব লাগিব। আত্মবিশ্বাস থাকিলে ভয়ে একো কৰিব নোৱাৰে। মনত আত্মবিশ্বাস ভাব থাকিলে পৰীক্ষাত সকলো লিখিব পাৰিবা। দেউতাকৰ কথাত ৰোহনে বুজি পালে। তাৰ মনত আত্মবিশ্বাস ভাব আহিল আৰু সি একো ভয় নকৰাকৈ মেট্ৰিক পৰীক্ষা ভালদৰে দিলে। তাৰ মেট্ৰিক পৰীক্ষা ফলাফল ভাল হ'ল আৰু ৰোহনে সুখী হ'ল।

**নীতিশিক্ষা ঃ** আত্মবিশ্বাস থাকিলে সকলো কাম নিয়াৰিকৈ কৰিব পাৰি।

## শিলুগুৰিত বড়ো সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস পালন



**বিশেষ সংবাদ দাতা, শিমলুগুৰি ঃ** অসমৰ সৰ্ববৃহৎ জনগোষ্ঠী বড়ো সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস '১৬-নৱেম্বৰ' উপলক্ষে শিমলুগুৰি আঞ্চলিক বড়ো সাহিত্য সভাৰ ৫৪তম প্ৰতিষ্ঠা দিৱস অনুষ্ঠিত হৈ যায়। কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত পৰিৱেশ নিকাকৰণ, লঘু আহাৰ বিতৰণৰ পাছতেই পতাকা উত্তোলন কৰে শিমলুগুৰি আঞ্চলিক বড়ো সাহিত্য সভাৰ সভাপতি লীলাৰাম স্বৰ্গীয়াৰীয়ে। স্বহীদ তৰ্পণ আৰু জুবিন গাৰ্গৰ আলোকচ্ছবিত বন্তি প্ৰজ্জলনৰ লগতে মাল্যৱৰণ কৰে আঞ্চলিক সমিতিৰ উপ-সভাপতি ৰূপজ্যোতি দৈমাৰীয়ে। লীলাৰাম স্বৰ্গীয়াৰীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাৰ মঞ্চ উদ্বোধক কৰি গুণাৰাম স্বৰ্গীয়াৰীয়ে বড়ো জাতিৰ ভাষা-সংস্কৃতি আৰু সুৰক্ষাৰ বিষয়ে ভাষণ ৰাখে। সভাত নিৰ্দিষ্ট বক্তা ৰূপে বিষয় শিক্ষক অতুল ইছলাৰী, বি এড মহাবিদ্যালয়ৰ প্ৰৱক্তা প্ৰবীন হাখলাৰী, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ৰাধা বসুমতাৰীয়ে ভাষণ প্ৰদান কৰে। সাহিত্যকৰ্মী হৰকান্ত বসুমতাৰীৰ তত্বাৱধানত প্ৰকাশ পোৱা স্মৃতিগ্ৰন্থ 'বাৰদৈ চিখলা' উন্মোচন কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দুৰ্গা বসুমতাৰীয়ে। অন্যহাতে দুপৰীয়াভাগত অনুষ্ঠিত প্ৰতিনিধি সভাত আঞ্চলিকৰ সাংগঠনিক ভেঁটি দৃঢ় আৰু বড়ো ভাষাৰ প্ৰচাৰ-প্ৰসাৰৰ প্ৰতি লক্ষ্য ৰাখি আঞ্চলিকৰ এখনি ত্ৰিবাৰ্ষিক সমিতি গঠন কৰা হয়। সমিতিত জয়গুৰাম বৰচমুৱাক সভাপতি, ৰূপজ্যোতি দৈমাৰী-জয়ন্ত বসুমতাৰীক যুটীয়াভাৱে উপ-সভাপতি, বিনোদ দৈমাৰীক সম্পাদক, দীপক ইছলাৰী, ৰঞ্জিত হাখলাৰী, ধনেশ্বৰ দৈমাৰীক সহঃসম্পাদক, কেৰশ বসুমতাৰীক কোষাধ্যক্ষ আৰু সঞ্জীৱ বসুমতাৰীক বিশেষ সদস্য হিচাপে দায়িত্বভাৰ দিয়ে। সন্ধিয়ালৈ শিক্ষক তথা লখিমপুৰ জিলা বড়ো সাহিত্য সভাৰ সহকাৰী সম্পাদক প্ৰফুল্ল দৈমাৰীয়ে উদ্বোধন আৰু সমাজকৰ্মী গুঞ্জান বসুমতাৰীয়ে সঞ্চালনা কৰা সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰে বড়ো কণ্ঠশিল্পী ৰশ্মি বসুমতাৰীয়ে। অনুষ্ঠানত মুখ্য অতিথি ৰূপে বিহপুৰীয়া বিধান সভা সমষ্টিৰ বিধায়ক ড° অমিয় কুমাৰ ভূঞা, কবি-শিক্ষক বিতোপন গগৈ, আঞ্চলিকৰ প্ৰাক্তন সভাপতি চন্দ্ৰ হাখলাৰী শিক্ষক দিব্য দৈমাৰী, সদৌ অসম বড়ো ছাত্ৰ সন্থাৰ হৈ মাণিক বসুমতাৰী, ৰাজীৱ বসুমতাৰী, উত্তম বসুমতাৰী, জিলা পৰিষদৰ সদস্য মানৱ দাস, পাৰ্থপ্ৰতিম ফুকন, পুৰন্দৰ বৰুৱা আদি বৰেণ্য ব্যক্তি উপস্থিত থাকে। ৰাইজৰ সহযোগ আৰু উপস্থিতিৰ বাবে উদ্‌যাপন সমিতিৰ হৈ বিনোদ দৈমাৰী, মুনু বসুমতাৰী, ৰাজীৱ নাৰ্জাৰীয়ে সকলোকে ধন্যবাদ জনায়।

## অচিনাকি

■ **ৰশ্মি ৰেখা দুৱৰা**

**ম**হাবিদ্যালয়ৰ প্ৰথম দিন। বিদ্যাশ্ৰীৰ মনত আনন্দৰে উপচি পৰিছে। বান্ধৱী আশাৰ লগত একেলগে দুয়োজনী মহাবিদ্যালয়ৰ অভিমুখে যাত্ৰা কৰিছে। মহাবিদ্যালয়লৈ ১০০ মিটাৰমান বাট থাকোঁতে এজন ব্যক্তিয়ে মাত লগালে।
ঃ আজি মহাবিদ্যালয়ত তোমালোকৰ প্ৰথম দিন। শুভকামনা জনাইছোঁ।
ঃ অশেষ ধন্যবাদ জনাইছোঁ আপোনাক।

ধন্যবাদ জনাই আগবাঢ়ি গ'ল। ইজনীয়ে আনজনীক চিনি পায় মাত লগালে বুলি ভাবিলে। কিন্তু দুয়োজনীৰে চিনাকি ব্যক্তি নহয়। মহাবিদ্যালয়ত থকাৰ সময়তো বাস্তাত মাত লগোৱা ব্যক্তিজন কেণ্টিনৰ পৰা ওলাই অহা দেখা পালে বিদ্যাশ্ৰীয়ে।

ব্যক্তিজনৰ মাতটো আগতে ক'ৰবাত শুনা শুনা লাগিছে। ঘৰত আহি বিদ্যাশ্ৰীয়ে মনত পেলাবলৈ বহুবাৰ চেষ্টা কৰিছে। চেহেৰাটো চিনাকি চিনাকি লাগিল। ফটোৰ এলবামটো হাতত তুলি ল'লে, কিজানিবা মনত পৰেই। সপৰিয়ালে তোলা এখন ফটো চকুত পৰিল। দেউতা, সেইজনে মোৰ দেউতা আছিল নেকি? প্ৰশ্নটো মাকক সোধাৰ সাহস নহ'ল।

জনতাৰ চৰকাৰ | myGOV মেৰী সৰকাৰ

সত্যমেব জয়তে
অসম চৰকাৰ
উচ্চ আৰু বিদ্যালয় শিক্ষা বিভাগ

# নিযুত মইনা ২.০ৰ

## চেক বিতৰণ

মুখ্যমন্ত্ৰীৰ
নিযুত মইনা
আঁচনি



উচ্চ শিক্ষা আহৰণৰ দিশত ৰাজ্যৰ
**১০ লাখ**
কন্যা শিক্ষাৰ্থীৰ বাবে অসম চৰকাৰৰ অভিলাষী পদক্ষেপ



## জিলা অনুসৰি ছাত্ৰীৰ সংখ্যা

| জিলা | উচ্চ শিক্ষা | বিদ্যালয় শিক্ষা | এছ চি ই আৰ টি | মুঠ |
|---|---|---|---|---|
| কামৰূপ | ১০৯৭৫ | ১১৪৩৩ | ১৩ | ২২৪২১ |
| কামৰূপ (মহানগৰ) | ১৩১৬৩ | ৭৯০১ | ২০ | ২১০৮৪ |
| নগাঁও | ৯৬৩৩ | ৯৭৩৬ | ৭ | ১৯৩৭৬ |
| বৰপেটা | ৭২৭২ | ১১০৩১ | ৪৬ | ১৮৩৪৯ |
| কাছাৰ | ৬১০৭ | ১০৫৫৮ | ১৯ | ১৬৬৮৪ |
| ধুবুৰী | ৫৭৯২ | ১০১৮১ | - | ১৫৯৭৩ |
| লখিমপুৰ | ৬৬২২ | ৮৫৭৯ | ২৪ | ১৫২২৫ |
| ধেমাজি | ৫২৪৪ | ৭৬৫৬ | ১৪ | ১২৯১৪ |
| কোকৰাঝাৰ | ৬০৯২ | ৬৫৯৯ | ৪৭ | ১২৭৩৮ |
| ডিব্ৰুগড় | ৫৯৪২ | ৬৩২৩ | ৪৯ | ১২৩১৪ |
| গোৱালপাৰা | ৪৫৭৩ | ৭৪১১ | ৫৪ | ১২০৩৮ |
| মৰিগাঁও | ৪০৬৯ | ৭৮০১ | ১১৪ | ১১৯৮৪ |
| নলবাৰী | ৫৮৮৩ | ৫৯১৯ | ৪৭ | ১১৮৪৯ |
| গোলাঘাট | ৪৮৫৪ | ৬৬৭৬ | ৩৫ | ১১৫৬৫ |
| শোণিতপুৰ | ৫৪৭৩ | ৫৮১৬ | ৮৩ | ১১৩৭২ |
| যোৰহাট | ৫৫৫২ | ৫২৭২ | ৬৯ | ১০৮৯৩ |
| শ্ৰীভূমি | ৪৫৩১ | ৫৪৮৭ | ২৪ | ১০০৪২ |
| তিনিচুকীয়া | ৪০৩০ | ৫৭৭১ | - | ৯৮০১ |

| জিলা | উচ্চ শিক্ষা | বিদ্যালয় শিক্ষা | এছ চি ই আৰ টি | মুঠ |
|---|---|---|---|---|
| দৰং | ৪৫৪৪ | ৪৩৮০ | ৮ | ৮৯৩২ |
| শিৱসাগৰ | ৩৭১২ | ৪৪১৭ | - | ৮১২৯ |
| ওদালগুৰি | ৪২৪৫ | ৩৭২০ | - | ৭৯৬৫ |
| বঙাইগাঁও | ৩৭৯১ | ৩৯৪৩ | ৫৫ | ৭৭৮৯ |
| হোজাই | ৪২১১ | ৩৪৮২ | - | ৭৬৯৩ |
| বিশ্বনাথ | ২৭৪৪ | ৪৪৫৫ | ৩২ | ৭২৩১ |
| হাইলাকান্দি | ২৫৪৭ | ৪৩৫৪ | ২৪ | ৬৯২৫ |
| বাক্সা | ১৯১৭ | ৩৪৭১ | - | ৫৩৮৮ |
| বজালী | ২৯২৫ | ২২৬১ | - | ৫১৮৬ |
| তামুলপুৰ | ১২৭০ | ৩৩৩৪ | - | ৪৬০৪ |
| চিৰাং | ২৪৭১ | ২১২০ | - | ৪৫৯১ |
| চৰাইদেউ | ১৭০৬ | ২৭৮৫ | - | ৪৪৯১ |
| কাৰ্বি আংলং | ২১৭২ | ২২২৭ | ১৯ | ৪৪১৮ |
| দক্ষিণ শালমাৰা-মানকাচৰ | ১৮৬৯ | ১৮০২ | - | ৩৬৭১ |
| মাজুলী | ১৪৫৩ | ১৬১৫ | - | ৩০৬৮ |
| ডিমা হাছাও | ৯৯০ | ১৭২৫ | ৩২ | ২৭৪৭ |
| পশ্চিম কাৰ্বি আংলং | ১৬৩ | ৬৫২ | - | ৮১৫ |
| মুঠ | ১৫৮৫৩৭ | ১৯০৮৯৩ | ৮৩৫ | ৩৫০২৬৫ |

২০২৪-২৫
১.৬ লাখ ছাত্ৰীলৈ
১৩৩ কোটি
টকা মুকলি

২০২৫-২৬
৩.৫ লাখ+
ছাত্ৰীলৈ
নিযুত মইনা
আঁচনিৰ সুবিধা

### সামাজিক ফলপ্ৰসূতা

- উচ্চ শিক্ষাত ছাত্ৰীৰ নামভৰ্তি বৃদ্ধি
- বাল্য বিবাহ প্ৰতিৰোধ তথা কিশোৰী অৱস্থাৰ মাতৃত্বৰ হাৰ হ্ৰাস
- আৱেগিক, মানসিক আৰু শাৰীৰিকভাৱে পৰিপক্ক বয়সৰ নোহোৱালৈকে কন্যাসকলৰ বিবাহ প্ৰতিৰোধ
- শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষাৰ অধিকাৰ সুনিশ্চিতকৰণ

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Connect with us @diprassam | dipr.assam.gov.in

Janasanyog RO no 3094/25/21-November-25

# ৰেষ্ট গুৱাহাটী কলেজ অৱ এডুকেশ্বনৰ প্ৰাচীৰ পত্ৰিকা উন্মোচন

## ভাল সাহিত্য সৃষ্টিৰ বাবে মানুহ অধ্যয়ন আৰু গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজন



**গুৱাহাটী ঃ** শিক্ষক প্ৰশিক্ষণৰ আগশাৰীৰ শিক্ষানুষ্ঠান ৰেষ্ট গুৱাহাটী কলেজ অৱ এডুকেশ্বনৰ চাৰিখন প্ৰাচীৰ পত্ৰিকা ১৫ নৱেম্বৰত মহাবিদ্যালয়খনত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উন্মোচন কৰা হয়। প্ৰাচীৰ পত্ৰিকাকেইখন উন্মোচন কৰে বিশিষ্ট শিক্ষাবিদ তথা সাহিত্যিক পৰেশ বৈশ্যই। প্ৰাচীৰ পত্ৰিকাকেইখন উন্মোচন কৰি দিয়া ভাষণত বৈশ্যই কয় যে মানুহৰ পোৱা নোপোৱাৰ বেদনা, আশা আকাংক্ষা, জীৱনৰ অভিজ্ঞতা আৰু জীৱনবোধেই হ'ল উৎকৃষ্ট সাহিত্যৰ উপজীব্য। ভাল সাহিত্য সৃষ্টিৰ বাবে মানুহ অধ্যয়ন আৰু গ্ৰন্থ অধ্যয়ন কৰাটো খুবেই প্ৰয়োজন। তেওঁ কয় যে ভাল কিতাপ বাছনি কৰি পঢ়িব পৰাজনহে সফল পঢুৱৈ। আমি কিমান কিতাপ পঢ়িছোঁ সেইটো ডাঙৰ কথা নহয়, কিমান ভাল কিতাপ পঢ়িছোঁ সেইটোহে আচল কথা। কিতাপ এখন পঢ়িব লাগে বাবেই পঢ়া উচিত নহয়, কিতাপখন পঢ়াৰ এটা উদ্দেশ্য থকা উচিত। কিতাপখনৰ পৰা আমি পাব বিচৰাটো আগত ৰাখিহে অধ্যয়ন কৰা উচিত। ভাষণ প্ৰসংগত তেওঁ শিক্ষাৰ্থীসকলক কয় যে শিক্ষকতা বৃত্তিটো পবিত্ৰ বৃত্তি। আনকি ভগৱানৰো প্ৰথম পছন্দৰ বৃত্তি হ'ব পাৰে শিক্ষকতা। তেওঁ ভাষণত শিক্ষাৰ ক্ষেত্ৰত বিশ্বৰ দেশসমূহৰ মাজত শীৰ্ষত থকা ফিনলেণ্ডৰ শিক্ষক প্ৰশিক্ষণ ব্যৱস্থা, শিক্ষানীতি আৰু শিক্ষকৰ সামাজিক মৰ্যাদাৰ এক সুন্দৰ বিশ্লেষণ আগবঢ়ায়। তেওঁ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়সমূহত শ্ৰেষ্ঠ শৈক্ষিক অনুশীলনৰ একোটাকৈ ভঁৰাল নিৰ্মাণৰ ওপৰতো গুৰুত্ব দিয়ে। মহাবিদ্যালয়খনৰ অধ্যক্ষা ড° গীতাঞ্জলি চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত উক্ত অনুষ্ঠানত কৃতী বিষয় শিক্ষয়িত্ৰী কিৰণ দাসে বিশিষ্ট অতিথি হিচাপে ভাগ লয়। অনুষ্ঠানত মহাবিদ্যালয়খনৰ শতাধিক ছাত্ৰ-ছাত্ৰীৰ লগতে অধ্যাপক-অধ্যাপিকাসকল উপস্থিত থাকে।

# বটদ্ৰৱা থানৰ নৱ গঠিত পৰিচালনা সমিতিৰ শপত গ্ৰহণ সম্পন্ন

**জয়ন্ত মুদৈ, নগাঁও ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ পৱিত্ৰ জন্মস্থান বটদ্ৰৱা থানৰ নৱ গঠিত পৰিচালনা সমিতিৰ শপত গ্ৰহণ অনুষ্ঠানটি দেওবাৰে অনুষ্ঠিত হৈ যায়। সেই অনুসৰি কীৰ্তন ঘৰৰ সন্মুখত শপত বাক্য পাঠ কৰোৱাই থানৰ মূল নাম লগোৱা ডম্বৰুধৰ গায়নে। সত্ৰাধিকাৰ প্ৰমুখ্যে ভকত-বৈষ্ণৱসকলৰ উপস্থিতিত শপত গ্ৰহণ কৰোৱা হয়। উল্লেখ্য, বিগত সময়চোৱাত শ্ৰী শ্ৰী বটদ্ৰৱা থান পৰিচালনা সমিতিৰ বাদ-বিবাদে গৈ চৰম পৰ্যায়ত উপনীত হোৱাৰ ফলত উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হ'বলগীয়া হৈছিল। পিছত উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ মৰ্মে নগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাৰ তত্বাৱধানত যোৱা ২ নৱেম্বৰত থানৰ সকলো সত্ৰীয়া আৰু আজীৱন সদস্যৰ উপস্থিতিত এখনি সাধাৰণ সভাৰ আহ্বান কৰা হৈছিল আৰু উক্ত সভাতে বটদ্ৰৱা থান পৰিচালনা কৰাৰ বাবে এখনি নতুন পৰিচালনা সমিতি গঠন কৰা হৈছিল। সেয়ে নতুন পৰিচালনা সমিতিখনে নিয়মানুসৰি দেওবাৰে থানৰ কীৰ্তন ঘৰৰ সন্মুখত সমূহ ভকত-বৈষ্ণৱৰ সন্মুখত অনাগত দিনত তেওঁলোকৰ কাৰ্যপন্থা সূচাৰুৰূপে চলাই নিয়াৰ প্ৰতিশ্ৰুতিৰে শপত বাক্য পাঠ কৰে।






# 'লেখিকা সংস্থা, অসম'ৰ নগাঁও শাখাৰ ২৪ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

## মুখপত্ৰ 'মন্দাকিনী' উন্মোচন ঃ নতুন সমিতি গঠন

**নগাঁৱৰ বিশেষ প্ৰতিবেদক ঃ** 'লেখিকা সংস্থা, অসম'ৰ নগাঁও শাখাৰ ২৪ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনখনি নগাঁৱৰ শংকৰদেৱ নাট্য চ'ৰাত দুদিনীয়া কাৰ্যসূচীৰে দেওবাৰে সামৰণি পৰে। দ্বিতীয় দিনা পুৱা পতাকা উত্তোলনেৰে কাৰ্যসূচী মুকলি কৰে সংস্থাৰ সভানেত্ৰী গুণদা গোস্বামীয়ে আৰু স্মৃতি তৰ্পণ কৰে সংস্থাৰ নগাঁও শাখাৰ উপদেষ্টা আৰতি শৰ্মাই। বিয়লি সংস্থাৰ সভানেত্ৰী তথা অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী, নাট্যশিল্পী গুণদা গোস্বামীৰ পৌৰোহিত্যত অনুষ্ঠিত হয় এখনি মুকলি সভা। সভাৰ আৰম্ভণিতে অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে সংস্থাৰ কাৰ্যকৰী সভানেত্ৰী লীনা সন্দিকৈয়ে। ইয়াৰ পিছতে মামণি শৰ্মা ভট্টাচাৰ্যই এটি মংগলাচৰণ আৰু সংস্থাৰ সমৱেত সংগীত পৰিৱেশনেৰে সভাখনি মুকলি কৰা হয়। সভাৰ উদ্দেশ্য ব্যাখ্যাৰ লগতে সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে সম্পাদিকা বন্তি চেতিয়াই। গীতা শইকীয়া ভৰালীয়ে আদৰণি ভাষণ প্ৰদান কৰা সভাখনত ড° ৰৌজলীন জাহানৰ সম্পাদনাত প্ৰকাশিত সংস্থাৰ নগাঁও শাখাৰ মুখপত্ৰ 'মন্দাকিনী' উন্মোচন কৰে প্ৰাক্তন বিধায়ক, বিশিষ্ট চিকিৎসক ডাঃ দুৰ্লভ চমুৱাই। গ্ৰন্থখনি উন্মোচন কৰি তেওঁ কয়- 'এই গ্ৰন্থখন উন্মোচন কৰিবলৈ পোৱাটো মোৰ বাবে ভাগ্যৰ কথা, কিয়নো ইয়াত লেখিকা সকলেই লিখিছে। একোখন ঘৰ, সন্তানক মহিলাসকলেই পৰিচালনা কৰি আহিছে, ইয়াৰ মাজতো তেখেত সকলে সাহিত্য চৰ্চা কৰাটো বৰ ভাল লগা বিষয়।' তেওঁ ভাষণ প্ৰসংগত ধৰ্ম আৰু ৰাজনীতি সেৱাৰ মনোভাৱেৰে ল'লে সেয়া একো একোটা শ্ৰেষ্ঠ নীতি বুলি মন্তব্য কৰে। বিশিষ্ট চিকিৎসকগৰাকীয়ে স্বাস্থ্য ৰক্ষাৰ বাবে মহিলাসকলৰ লগতে তেওঁলোকৰ সন্তানৰ প্ৰতি কিছুমান বিশেষ পৰামৰ্শ আগবঢ়ায়। সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰা অৱসৰপ্ৰাপ্ত অধ্যাপক, বিশিষ্ট সাহিত্যিক, সুবক্তা মোহিনী মোহন ডেকাই ভাষণ প্ৰদান কৰি কয়- 'লেখক হোৱাতো ইমান সহজ নহয়, লেখক হ'বলৈ যথেষ্ট শ্ৰম কৰিব লাগিব। লেখকসকল সমাজৰ প্ৰতি দায়বদ্ধ হ'ব লাগিব, দায়িত্বশীল হ'বই লাগিব।' বিশিষ্ট সাহিত্যিক গৰাকীয়ে ভাষণ প্ৰসংগত এগৰাকী বিদেশী লেখকৰ উদ্ধৃতি দি কয় যে লেখকজনে তেওঁৰ কোনো এক সৃষ্টিশীল লেখা লিখিবলৈ গৈ বাৰে বাৰে লিখা কাগজ ফালি দলিয়াই পেলাই দিয়াত দম হৈ গৈছিল, কিন্তু তেওঁৰ আৰু সেই লেখাটো সম্পূৰ্ণ নহ'ল। লেখকসকলৰ বাবে যে প্ৰচুৰ অধ্যয়নৰ প্ৰয়োজন সেই কথা উনুকিয়াবলৈ গৈ সাহিত্যিক ডেকাই আন এক প্ৰসংগৰ উদ্ধৃতি দি কয় যে এজন বিদেশী বিখ্যাত ধনী মানুহে তেওঁৰ মৃত্যুৰ পাছত যাতে তেওঁক মানুহে মনত ৰাখে সেই উদ্দেশ্যে জীৱনৰ বিয়লি বেলা প্ৰচুৰ অধ্যয়ন কৰিছিল আৰু তেওঁ নিজে লিখিবলৈ বিচাৰিছিল। কিন্তু মৃত্যুৰ সময়লৈকে বহুত চেষ্টা কৰিও লিখিবলৈ সক্ষম নহ'ল, কিন্তু সেইগৰাকী বিখ্যাত বিত্তবান লোকে মৃত্যুৰ আগমুহূৰ্তত অনুভৱ ব্যক্ত কৰিছিল যে তেওঁ লেখক হ'ব নোৱাৰিলে যদিও লিখিবৰ বাবে যে যথেষ্ট অধ্যয়ন কৰিলে, সেয়াই যথেষ্ট। সংস্থাৰ উপদেষ্টা আৰতি শৰ্মা, লেখিকা গীতা মহন্ত, বৈজয়ন্তী খাউণ্ড, পূৰবী চক্ৰৱৰ্তী সূত, কুমকুম বৰুৱা, তুলু হাজৰিকা প্ৰমুখ্যে শতাধিক সাহিত্যানুৰাগীৰ উপস্থিতিত অনুষ্ঠিত এই সভাতে এইবাৰ বীণা শৰ্মা সোঁৱৰণী গল্প প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানপ্ৰাপ্ত ক্ৰমে বিশ্বনাথ চাৰিআলিৰ জ্ঞানশ্ৰী শইকীয়া, নগাঁৱৰ প্ৰতিভা ভাগৱতী আৰু গোলাঘাটৰ টিনা গোস্বামীক বঁটা প্ৰদান কৰা হয়। শ্যামলিমা শৰ্মাই বক্তৃতা আৰু অৰুনিমা হাজৰিকাই কবিতা পাঠ কৰা এই সভাৰ শলাগৰ শৰাই আগবঢ়ায় ৰূপা শইকীয়াই। ইফালে, শনিবাৰে বিয়লি অনুষ্ঠিত সংস্থাৰ নগাঁও শাখাৰ নতুন সমিতিখন গঠন কৰা হয়। নতুন সমিতিখন এনে ধৰণৰ- সভানেত্ৰী ঃ লীনা সন্দিকৈ, কাৰ্যকৰী সভানেত্ৰী ঃ স্বপ্না নিয়োগী, উপ-সভানেত্ৰী ঃ ৰূপা শইকীয়া, পূৰবী চক্ৰৱৰ্তী সূত, ইন্দিৰা গোস্বামী ভট্টাচাৰ্য, মিনতি শইকীয়া, সম্পাদিকা বন্তি চেতিয়া, পত্ৰিকা সম্পাদিকা দীপিকা নাথ আদি।






স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া

সম্পাদক ঃ প্ৰণতি বৰা